सत्यमेव जयते

unicef
unite for children

# আপোনাৰ আঁচনি আপোনাৰ প্ৰশ্ন

এনৰেগা, আই এ ৱাই, বি আৰ জি এফ আৰু এন এছ এ পি আঁচনি সম্পৰ্কে সঘনে উত্থাপিত প্ৰশ্নসমূহ




**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ**

**অসম চৰকাৰ**

© **পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ** ২০১৪
অসম চৰকাৰ

**বেটুপাত ঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ,অসম

**কাৰিকৰী সহযোগী দল**
খগেশ্বৰ পেগু, যুটীয়া সঞ্চালক, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ,অসম
অঞ্জন বৰদলৈ, প্ৰাক্তন ৰাজ্যিক নিৰ্বিঘ্নতাকাৰী, ইউনিচেফ
চিন্ময় দেবনাথ, ৰাজ্যিক নিৰ্বিঘ্নতাকাৰী, ইউনিচেফ
অভিজিৎ মিশ্ৰ, ৰাজ্যিক কাৰ্য্যসূচী প্ৰৱন্ধক, ই-পি আৰ আই

ভাষান্তৰঃ এইচ্ছ চি দলে, গুৱাহাটী

এই সংকলনখনিৰ যিকোনো অংশ উপযুক্ত কৃতজ্ঞতা
জ্ঞাপনেৰে মুক্তভাৱে পূণৰ্প্ৰকাশ কৰিব পাৰে।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ
জুৰিপাৰ, পাঞ্জাবাৰী
গুৱাহাটী - ৭৮১০৩৭
অসম, ভাৰত

ইউনিচেফ ক্ষেত্ৰ কাৰ্যালয়, অসম
গৃহ নং-২৭
বশিষ্ঠপুৰ বাইলেন-৩, বেলতলা ৰোড
গুৱাহাটী-৭৮১০২৮
অসম, ভাৰত

सत्यमेव जयते

unicef
unite for children

# আপোনাৰ আঁচনি
# আপোনাৰ প্ৰশ্ন

এনৰেগা, আই এ ৱাই, বি আৰ জি এফ আৰু এন এছ এ পি আঁচনি সম্পৰ্কে সঘনে উত্থাপিত প্ৰশ্নসমূহ

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ**
অসম চৰকাৰ

Tarun Gogoi



Chief Minister, Assam
Guwahati

## *শুভেচ্ছা বাণী*

মই জানিবলৈ পাই আনন্দিত হৈছোঁ যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ইউনিচেফৰ অসম ক্ষেত্ৰ কাৰ্যালয়ৰ সহযোগত এমজিএনৰেগা, আইএৱাই, বিআৰজিফ আৰু এনএছএপিৰ বিষয়ে সততে উত্থাপিত প্ৰশ্নসমূহৰ উত্তৰ সম্বলিত এখনি হাতপুথি প্ৰকাশ কৰিবলৈ আগবাঢ়িছে। উল্লেখিত ৰাষ্ট্ৰীয় ধ্বজাবাহী আঁচনিসমূহৰ ৰূপায়ণৰ ক্ষেত্ৰত বিভিন্ন পক্ষক স্পষ্ট ধাৰণা দিয়াত হাতপুথিখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। গ্ৰামীন অসমৰ ৰাইজৰ মাজত আঁচনিসমূহৰ বিষয়ে অধিক সজাগতা সৃষ্টিৰ ক্ষেত্ৰতো পুথিখনে সহায় কৰিব।

মই আশা কৰোঁ, আঁচনিসমূহ নিৰ্ধাৰিত লক্ষ্যত উপনীত কৰাবলৈ ইয়াৰ অগ্ৰণী কৰ্মীসকলে ৰূপায়ণ আৰু সহচৰ্যৰ ক্ষেত্ৰত আগবঢ়াব লগা সেৱাৰ দিশত হাতপুথিখনে বিশেষ আলোকপাত কৰিব।

(তৰুণ গগৈ)

**ৰকিবুল হুছেইন**
পঞ্চায়ত আৰু গ্ৰামোন্নয়ন
পৰিৱেশ আৰু বন
অসম, দিছপুৰ, গুৱাহাটী-৭৮১০০৬

দিছপুৰ
৬।০৯।২০১৪

সত্যমেৱ জয়তে



# *শুভেচ্ছা বাণী*

এই কথা জানিবলৈ পাই আনন্দিত হৈছোঁ যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ইউনিচেফ, অসমৰ ক্ষেত্ৰ কাৰ্যালয়ৰ সহযোগত আইএৱাই, বিআৰজিফ, এমজিএনৰেগা আৰু এনএছএপিৰ বিষয়ে সততে উত্থাপিত প্ৰশ্নসমূহৰ উত্তৰ সম্বলিত এখনি হাতপুথি প্ৰকাশ কৰিবলৈ লৈছে। উক্ত ৰাষ্ট্ৰীয় ধ্বজাবাহী আঁচনিসমূহৰ ৰূপায়ণত জড়িত থকা বিভিন্ন পক্ষক আঁচনিসমূহৰ বিষয়ে স্পষ্ট ধাৰণা দিয়াত হাতপুথিখনৰ প্ৰকাশ কাৰ্য এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব। অসমৰ গ্ৰামীণ ক্ষেত্ৰত আঁচনিসমূহৰ বিষয়ে জনসজাগতা সৃষ্টিৰ ক্ষেত্ৰতো পুথিখনে যোগাত্মক ভূমিকা গ্ৰহণ কৰিব।

মই আশাবাদী যে কৰ্মস্থলীত আঁচনিসমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত এই হাতপুথি হ'ব সাৰথি স্বৰূপ। আৰু আঁচনিসমূহৰ বাঞ্ছিত ফলপ্ৰাপ্তিত ইয়ে নিশ্চিতভাৱে সহায় কৰিব।

(ৰকিবুল হুছেইন)

**সমীৰ কুমাৰ খাৰে,**



**অসম চৰকাৰৰ প্ৰধান সচিব**
**আই এ এছ - ৰ**

**শুভেচ্ছাবাণী**

মই এই কথা জানিবলৈ পাই অত্যন্ত সুখী অনুভৱ কৰিছোঁ যে এনজিএনৰেগা, আইএওৱাই, বিআৰজিএফ আৰু এনএছএপি আঁচনিৰ বিষয়ে সঘনাই উত্থাপিত প্ৰশ্নসমূহ সামৰি অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ইউনিচেফ, অসমৰ ক্ষেত্ৰ কাৰ্যালয়ৰ সহযোগত এখনি হাতপুথি প্ৰণয়ন কৰিবলৈ লৈছে। মই নিশ্চিত যে এই হাতপুথিখনিয়ে সাধাৰণভাৱে হিতাধিকাৰীসকলক আৰু বিশেষ গভীৰতাৰে পিআৰআই তথা আগশাৰীৰ অন্য কৰ্মীসকলক অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰমোন্নয়ন বিভাগৰ অধীনৰ উপৰোক্ত আঁচনিসমূহৰ বিষয়ে জনাত সহায় কৰিব। মই আশাবাদী যে প্ৰশ্নোত্তৰ আকাৰৰ এই হাতপুথিখনিয়ে কাৰ্যকৰীকৰণৰ সুফলদায়ক দিক নিৰ্দেশনাহে যে দিব তেনে নহয়, লগতে অসমৰ গ্ৰামীণ ৰাইজৰ মাজত আঁচনিসমূহৰ বিষয়ে জনাত অধিক সজাগতাৰ সূচনা কৰিব।

**এছ. কে. খাৰে,** আই এ এছ
আয়ুক্ত সচিব,
পঞ্চায়ত আৰু গ্ৰমোন্নয়ন বিভাগ,
দিশপুৰ, অসম

**ড০ কে কে দ্বিবেদী**



## এনৰেগা, আই এ ৱাই, বি আৰ জি এফ, এন এছ এ পি সম্পৰ্কে সঘনাই উত্থাপিত প্ৰশ্নৰ প্ৰসংগত পঞ্চায়ত আৰু গ্ৰামোন্নয় বিভাগৰ আয়ুক্তৰ নিদৰ্শনবাণী

এই কথাই মোক সুখী কৰিছে যে এনৰেগা, আই এ ৱাই, বি আৰ জি এফ, এন এচ এ পি আদি আঁচনি সম্পৰ্কত সঘনাই উত্থাপিত প্ৰশ্ন বিষয়ক এখন পুস্তিকা প্ৰকাশ কৰিবলৈ বিচৰা হৈছে। মোৰ বিশ্বাস ইয়ে পি আৰ আই সদস্যসকলক আঁচনিসমূহৰ সবিশেষ জ্ঞান আহৰণত সহায় কৰিব, যিয়ে তেওঁলোকক তেওঁলোকৰ ভূমিকা কাৰ্যকৰীৰূপত আগবঢ়াবলৈ সহায় কৰিব।

মই আশাবাদী যে এই সঘনাই উত্থাপিত প্ৰশ্নোত্তৰ পুস্তিকাই উপৰিউক্ত আঁচনি সম্পৰ্কত নিশ্চিতভাবে আকাংক্ষিত ফল লাভক সহজসাধ্য কৰি তোলাত সহায় কৰিব।

পি আৰ আইক শক্তিশালী কৰা আৰু ফেক (FAQ) ৰ প্ৰস্তুতিত মূল্যবান দিহা-পৰামৰ্শ প্ৰস্তুতিত মূল্যবান দিহা পৰামৰ্শ প্ৰদানেৰে অবিৰত সমৰ্থন আগবঢ়োৱা বাবে মই ইউনিচেফ (অসম) ৰ শলাগ লৈছোঁ।

**ড০ কে. কে. দ্বিবেদী,** আই এ এছ

আয়ুক্ত,

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম



**ড০ তুষাৰ ৰাণে**

**ইউনিচেফ, অসমৰ ক্ষেত্ৰ কাৰ্যালয়ৰ মূখ্য বিষয়াৰ নিৰ্দৰ্শনবাণী**


**United Nations Children's Fund**
**Office for Assam**
House No. 27,
Basisthapur Bylane No. 3
Beltola Road, Guwahati - 781028

Phone +91 0361 2235151
+91 0361 2235153
Fax +91 0361 2235151


এনৰেগা, আই এৱাই, বি আৰ জি এফ, এন এছ এপি আঁচনি সমূহৰ সম্পৰ্কত সঘনাই উত্থাপিত প্ৰশ্ন (FAQ) সমূহৰ বিষয়ে পুস্তিকাখনে প্ৰাথমিকভাবে প্ৰস্তুত খতিয়ান আৰু দ্ৰুত প্ৰাসংগিক আহিলাৰূপে ব্যৱহাৰৰ প্ৰাথমিক প্ৰয়াস হ'ব তেওঁলোকৰ বাবে যিয়ে বিভিন্ন ধ্বজাবাহী আঁচনিৰ কাৰ্যকৰী ৰূপায়নৰ ক্ষেত্ৰত পোনপটীয়াকৈ জড়িত। লগতে পঢুৱৈয়ে স্থানীয় ভাষাতে পঢ়িবলৈ পোৱা চিনাকী সংস্কৰণে অসমত স্থানীয় নিকায় প্ৰশাসনক সবলীকৰণ আৰু শক্তিশালীকৰণৰ বাবে বিভিন্ন আঁচনিৰ অধীনত বিতং অৱস্থা আৰু সুবিধাৰ বিষয়ে সজাগতা গঢ়াত প্ৰয়াস কৰিব।

আমি একান্তভাবে আশা কৰো যে উদ্দেশ্য সফল কৰা, আঁচনিসমূহৰ সঠিক ৰূপায়নৰ ক্ষেত্ৰত ভাগ লোৱা সকলো অংশগ্ৰহনকাৰীৰ বাবে ফেক (FAQ) এ পথ-প্ৰদৰ্শকৰ ভূমিকা পালন কৰিব যিয়ে শিশু আৰু মহিলাসকলৰ প্ৰতি বিশেষ গুৰুত্ব দি গ্ৰাম্য আন্তঃগাঁথনিৰ উন্নয়নত বৃহত্তৰ প্ৰভাৱ পেলাব।

**ড০ তুষাৰ ৰাণে,**
মুখ্য বিষয়া,
ইউনিচেফ, অসম

# আপোনাৰ আঁচনি
# আপোনাৰ প্ৰশ্ন

## সূচীপত্ৰ


| | | |
|---|---|---|
| ১) | ইন্দিৰা আৱাস যোজনা (আই এ ৱাই) | ১ |
| ২) | পিছপৰা অঞ্চল মঞ্জুৰী পূঁজি (বি আৰ জি এফ) | ৮ |
| ৩) | মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন (এমজিএনৰেগা) | ১৪ |
| ৪) | ৰাষ্ট্ৰীয় সামাজিক সহযোগিতা আঁচনি ( এন এছ এ পি) | ২৫ |

# ইন্দিৰা আৱাস যোজনা (আই এ ৱাই)

## ১. ইন্দিৰা আৱাস যোজনা (আই এ ৱাই)

➲ **আই এ ৱাই কি ?**

ইন্দিৰা আৱাস যোজনা (আই এ ৱাই) গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰালয়ৰ এখন ধ্বজাবাহী আঁচনি, যিখনে গৃহহীন বা বাসোপযোগী ঘৰৰ নিৰ্মাণৰ সুবিধাৰ অভাৱত এটি সুৰক্ষিত আৰু দীৰ্ঘস্থায়ী আশ্ৰয়গৃহ নিৰ্মাণ কৰিব নোৱাৰা দৰিদ্ৰ সীমাৰ তলৰ (বি পি এল) পৰিয়ালক সহায়ৰ হাত আগবঢ়ায়। এই প্ৰয়াস হৈছে মন্ত্ৰালয়ৰ দাৰিদ্ৰ্যতা নিৰ্মূলৰ প্ৰচেষ্টাৰ এক ব্যাপক কৌশলৰ অংশ। যিয়ে ধাৰাবাহিক প্ৰসাৰ আৰু উন্নয়নৰ বাবে পৰ্যাপ্ত উপায়েৰে সৈতে সুপৰিৱেশযুক্ত বাসস্থানৰ সমৰ্থনত বিকাশ সাধন কৰে।

আই এ ৱাই হৈছে সকলোৰে বাবে আশ্ৰয়ৰ প্ৰয়াসক সক্ষম কৰি তোলা উপায়। দাৰিদ্ৰ্যতা নিৰ্মূলৰ এক প্ৰধান উপায়স্বৰূপ গ্ৰাম্য গৃহ নিৰ্মানৰ বিষয়ে সজাগতা সৃষ্টিৰ ই এটা গুৰুত্বপূৰ্ণ প্ৰয়াস।

➲ **আই এ ৱাই কাৰ্যসূচীৰ ৰূপায়ন কেতিয়াৰ পৰা আৰম্ভ হৈছে ?**

ইন্দিৰা আৱাস যোজনা (আই এ ৱাই) হৈছে এতিয়ালৈকে দেশত গ্ৰহণ কৰা আটাইতকৈ বৃহৎ আৰু অতি সৰ্ব্বাত্মক গ্ৰাম্য গৃহ নিৰ্মাণ আঁচনি। মূলতঃ এই আঁচনিৰ যোগেদি ১৯৮০ চনত আৰম্ভ হোৱা ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ কাৰ্যসূচী (NREP)ৰ মজুৰি প্ৰধান নিয়োগ কাৰ্যসূচী আৰু ১৯৮৩ চনত আৰম্ভ হোৱা গ্ৰাম্য ভূমিহীন নিয়োগ নিশ্চিতকৰণ কাৰ্যসূচী (RLEGP), যাক এই কাৰ্যসূচীৰ অধীনত গৃহ নিৰ্মাণৰ অনুমতি দিয়া হয়।

সি যি নহওঁক, ইয়াৰ কোনো সাধাৰণ মান নাই। এয়া আছিল ১৯৮৫ চনৰ জুন মাহ, যেতিয়া এচ ছি/এছ টি আৰু চুক্তি মুক্ত (Freed Bonded Labours) শ্ৰমিকৰ বাবে গৃহ নিৰ্মাণৰ বাবে আছুতীয়াকৈ ৰখা পুঁজিৰ দ্বাৰা গঠিত আৰ এল ই জি পি উপ-আঁচনিৰূপে ইন্দিৰা আৱাস যোজনাৰ শুভাৰম্ভ কৰা হৈছিল। যেতিয়া জৱাহৰ ৰোজগাৰ যোজনাৰ ১৯৮৫ চনৰ এপ্ৰিল মাহত শুভাৰম্ভ কৰি ৬% পুঁজি এছ ছি / এছ টি আৰু চুক্তি মুক্ত শ্ৰমিকৰ বাবে গৃহনিৰ্মাণৰ উদ্দেশ্য অনুমোদন জনাইছিল। ১৯৯৩-৯৪ চনত এই অনুদানৰ আছুতীয়া পুঁজি বৃদ্ধি কৰি অজনজাতি / অনা অনুসূচিত জাতিৰ পৰিয়ালৰ বাবেও গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছিল। ১০% পুঁজি জে আৰ ৱাইৰ অধীনত আৰু অতিৰিক্ত ৪% পুঁজি এই শ্ৰেণীৰ হিতাধিকাৰীৰ বাবে ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া হৈছিল।

১৯৯৬ চনৰ ১ জানুৱাৰীৰ পৰা এখন সুকীয়া আঁচনিৰূপে প্ৰযোজ্য হোৱাকৈ ইন্দিৰা

আৱাস যোজনাক নিৰ্মাণ কৰা হৈছিল। এইখন এতিয়া গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ ধ্বজাবাহক কাৰ্যসূচীৰূপে গ্ৰাম্য দাৰিদ্ৰ্যতা দূৰীকৰণৰ বৃহত্তৰ কৌশলৰ অংশৰূপে জনাজাত হৈ পৰিছে। দাৰিদ্ৰ্যতাৰ শৃংখল মুক্তিৰ বাবে আৰু বিভিন্ন গ্ৰামোন্নয়ন আঁচনিৰ যোগেদি দুখীয়া পৰিয়ালক মৰ্যদা প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছিল।

➲ **আই এ ৱাই আঁচনি এক ৰাজনৈতিক প্ৰচাৰকৌশল নে উন্নয়নমূলক কাৰ্যসূচী ?**

ভাৰতৰ সংবিধানে গ্ৰাম্য গৃহনিৰ্মাণক ৰাজ্যিক চৰকাৰ আৰু পঞ্চায়তৰাজ অনুষ্ঠানৰ অধীনত স্থান দিছে। এই গৃহক কেৱল আশ্ৰয়ৰ স্থানৰূপেই স্বীকৃতি দিয়া হোৱা নাই, বাসস্থানৰ লগতে ই জীৱিকাৰ সুযোগ সৃষ্টি কৰে, সামাজিক অৱস্থানক চিহ্নিত কৰে আৰু সাংস্কৃতিক অভিব্যক্তিকো প্ৰকাশ কৰে।

এক সুগৃহই চূড়ান্ত বেয়া বতৰৰ পৰা পৰিয়ালটোক সুৰক্ষা দি স্বাভাৱিক পৰিৱেশ বৰ্তাই ৰাখে, অৰ্থনৈতিক কাৰ্য-কলাপৰ বাবে সুবিধা আৰু গতিশীলতাৰ বাবে আৱশ্যকীয় সংযোগৰে সৈতে সমন্বয় হ'ব পাৰে।

## ২. আই এ ৱাই পৰিকল্পনা

➲ কেনেকৈ আই এ ৱাই আঁচনি কাৰ্যকৰী হয় ?

এই আই এ ৱাইৰ আঁচনিৰ অধীনত এক নতুন গৃহ নিৰ্মানৰ দিশত আগবাঢ়িবলৈ অসম চৰকাৰে জিলা পৰ্যায়ৰ পৰিকল্পনা প্ৰস্তুতকৰণৰ পাছত ৰাজ্যিক পৰিকল্পনা প্ৰস্তুত কৰে আৰু তাৰ পাছত কেন্দ্ৰীয় চৰকাৰৰ (গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ) অনুমোদন আৰু মঞ্জুৰীৰ বাবে পঠিয়ায়। এবাৰ মঞ্জুৰ আদেশ হোৱাৰ পাছত জিলা পৰ্য্যায়ত আঁচনি অন্তৰ্ভূক্ত হ'ব লগীয়া উপভোক্তাৰ তালিকা চূড়ান্ত হয় আৰু কেন্দ্ৰীয় পুঁজি পোনে পোনে ডি আৰ ডি এ একাউণ্টলৈ মুকলি কৰি দিয়া হয় আৰু সমান্তৰালভাৱে ৰাজ্যিক চৰকাৰে অনুমোদন অনুসৰি উপাংশ ভগাই দহ শতাংশ জিলাসমূহলৈ ভগাই দিয়া হয় আৰু জিলা গ্ৰাম্য উন্নয়ন অভিকৰণৰ একাউণ্টৰ পৰা আই এ ৱাই উপভোক্তাৰ একাউণ্টলৈ স্থানান্তৰ কৰে।

➲ **এক নতুন গৃহ নিৰ্মাণৰ বাবে কিমান টকা মঞ্জুৰ হয় ?**

সম্প্ৰতি, অসমত এক নতুন গৃহ নিৰ্মাণৰ বাবে নিৰ্ধাৰিত ধনৰ পৰিমাণ ৭৫,০০০.০০ টকা।

➲ **নগদ বা চেকৰ দ্বাৰা ধন এবাৰতে দিয়া হয় নেকি ?**

হিতাধিকাৰীক সমগ্ৰ ধনখিনি এবাৰতে দিয়া নহয়। নতুন ঘৰটো নিৰ্মানৰ বাবে ধনখিনি হিতাধিকাৰীৰ বেংক একাউণ্টলৈ বা ডাকঘৰত তিনিটা কিস্তীত ২৫:৬০:১৫ শতাংশ অনুপাতত মুঠ ধন ৭৫,০০০.০০ টকা স্থানান্তৰ কৰা হয়।

➲ **এবাৰতে ধনখিনি কিয় দিয়া নহয় ?**

নতুন ঘৰ নিৰ্মাণ কৰোঁতে দক্ষ শ্ৰমিক, সা-সামগ্ৰী ইত্যাদি প্ৰসংগত সময় লয়। আই এ ৱাইৰ অধীনত এগৰাকী হিতাধিকাৰীয়ে নতুন ঘৰটো নিৰ্মাণ কৰোঁতে বিভিন্ন

পৰ্যায়ৰ নিৰ্মাণ পৰ্ব অতিক্ৰম কৰিব লাগে। হিতাধিকাৰীক এবাৰতে ধন মুকলি কৰি দিলে ঘৰ নিৰ্মাণ কৰাতকৈ হঠাৎ প্ৰয়োজনীয়তা অহা কাৰ্যত ধন খৰছ হোৱাৰ প্ৰবল সম্ভাৱনা থাকে। আন কাৰ্যত ধনৰ খৰছ ৰোধ কৰিবলৈ আৰু কেৱল ঘৰ নিৰ্মাণতেই ধন বিনিয়োগ কৰোৱাবলৈ আই এ ৱাই আঁচনিৰ  পুঁজি কিস্তীত মুকলি কৰি দিয়া হয়।

➲ **২ য় আৰু ৩ য় কিস্তীৰ ধন মুকলি কৰাৰ ক্ষেত্ৰত কোনে আৰু কেনেকৈ সিদ্ধান্ত লয়?**

পঞ্চায়ত সচিব আৰু কনিষ্ঠ অভিযন্তাই ১ম কিস্তীৰ ব্যৱহৃত পুঁজিৰ প্ৰমানপত্ৰ প্ৰস্তুতিৰ বাবে নিৰ্মাণৰ ৰেহ-ৰূপ পৰ্যবেক্ষণ কৰে। আঁচনি, নক্সা  আৰু নিৰ্মাণ কাৰ্যৰ বিভিন্ন স্তৰৰ কাৰ্যকলাপৰ আধাৰত আৰু  হিতাধিকাৰীৰ একাউন্টত ২য় আৰু  ৩য় কিস্তীৰ ধন মুকলি কৰাৰ প্ৰতিবেদন দাখিল কৰে । সেইদৰে খণ্ড উন্নয়ণ বিষয়াই প্ৰতিবেদন জিলা গ্ৰাম্য উন্নয়ণ অভিকৰণৰ প্ৰকল্প সঞ্চালকালয়লৈ পঠিয়ায়।

➲ **হিতাধিকাৰীৰ একাউন্টত ২ য় আৰু ৩ য় কিস্তীৰ ধন জমা হোৱাটো কেনেকৈ জানিব পৰা যাব?**

এবাৰ ২ য় আৰু ৩ য় কিস্তীৰ ধন হিতাধিকাৰীৰ একাউন্টত জমা হোৱাৰ খবৰ গাওঁ পঞ্চায়ত (জি পি) কাৰ্যালয়ক জনোৱাৰ ব্যৱস্থা আছে য'ত পঞ্চায়ত সচিবে হিতাধিকাৰী গৰাকীক নিৰ্মাণ কাৰ্যৰ  নিয়মনীতি মতে পুঁজি স্থানান্তৰণৰ স্থিতিৰ বিষয়ে অৱগত কৰে।

➲ **ইন্দিৰা আৱাস যোজনাৰ অধীনত এটা নতুন ঘৰ কেনেকৈ পাব পাৰি ?**

যদি আপুনি গৃহহীন বা জৰাজীৰ্ণ ঘৰ থকা বি পি এল পৰিয়ালৰ লোক তেন্তে আই এ ৱাই কাৰ্যসূচীৰ অধীনৰ ঘৰ বিচাৰি এক দৰ্খাস্ত গাঁও পঞ্চায়ত কাৰ্যালয়ত জমা দিয়াৰ  প্ৰয়োজন হয়। অগ্ৰধিকাৰ ভিত্তিত বি পি এল পৰিয়াল তালিকাভূক্ত কৰি গাওঁ সভাৰ অনুমোদনৰ বাবে উপস্থাপন কৰা হয় আৰু গাওঁ সভাৰ অনুমোদন সাপেক্ষে তালিকা চুড়ান্ত কৰা হয়। আই এ ৱাই ঘৰ বিচৰা অনুৰোধ আবেদন বিধবা/অবিবাহিত/বিবাহ-বিচ্ছেদিত ব্যক্তিৰ বাহিৰে গিৰীয়েক আৰু ঘৈণীয়েক উভয়ে যুটীয়াভাবে  কৰিব পাৰে।

## ৩. আই এ ৱাই ৰ যোগ্যতা

➲ **আই  এ ৱাই গৃহৰ বাবে হিতাধিকাৰী বাছনি প্ৰক্ৰিয়া কেনেধৰনৰ ?**

এবাৰ বি পি এল পৰিয়ালৰ পৰা  আই এ ৱাই ৰ বাবে লিখিত আবেদন পালে গাওঁ পঞ্চায়ত (জি পি) কাৰ্যালয়ে বি পি এল পৰিয়ালৰ নিৰ্ধাৰিত চৰ্ত সমীক্ষাৰ যোগেদি নিৰীক্ষণ কৰে। তথ্য লিপিবদ্ধ আৰু অনুমোদনৰ বাবে গাঁওসভাৰ নিৰ্ধাৰিত গাইড লাইন অনুসৰি এখন অগ্ৰাধিকাৰ তালিকা প্ৰস্তুত কৰে । সেইদৰে ঘৰ মঞ্জুৰীৰ বাবে এখন অপেক্ষা তালিকা প্ৰস্তুত কৰা হয়। প্ৰতিবছৰ আৰু পৰৱৰ্তী বছৰৰ বাবে হিতাধিকাৰীৰ বিতং তথ্যসহ গাওঁ পঞ্চায়ত (জি পি) কাৰ্যালয়ত অপেক্ষা তালিকা কৰা হয়। অপেক্ষা তালিকা এটা  গাওঁ পঞ্চায়ত (জি পি)ৰ সকলো শাখাই জনাৰ অধিকাৰ

আছে।

➲ **আই এ ৱাই ঘৰৰ বাবে কি কাগজ-পাতিৰ দৰকাৰ আছে?**

আই এ ৱাই ঘৰ পাবলৈ এগৰাকী হিতাধিকাৰীৰ বি পি এল পৰিচয় নম্বৰ, ৰেচন কাৰ্ড ইত্যাদিৰ প্ৰয়োজন।

➲ **আই এ ৱাই ঘৰ পাবলৈ কিমান সময় লয় ?**

জিলা, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়ত (জি পি) ৰ মাজত বিতৰণ কৰা ৰাজ্যিক বাজেট অনুসৰি আই এ ৱাই ঘৰৰ অনুমোদন জনোৱা হয়। গাওঁ পঞ্চায়ত (জিপি)ত অপেক্ষা তালিকা অনুসৰি আই এ ৱাই ঘৰৰ মঞ্জুৰী দিয়া হয়। সাধাৰণতে, এগৰাকী হিতাধিকাৰীয়ে অপেক্ষা তালিকাত উল্লেখিত ক্ৰমিক নম্বৰ অনুসৰি নিৰ্ধাৰিত ৫ বছৰৰ ভিতৰত আই এ ৱাই ঘৰ লাভ কৰাত সক্ষম হ’ব পাৰে।

➲ **মোৰ আই এ ৱাই ঘৰ মঞ্জুৰ হোৱাৰ বিষয়ে মই কেনেকৈ জানিম ?**

ধন প্ৰদানৰ বিতং অনুসুচীসহ চৰ্ত আৰু নিয়মাবলী হিতাধিকাৰীৰ নামত আই এ ৱাই ঘৰ মঞ্জুৰীৰ আদেশ পঠিওৱা হয়। সকলো অধিকাৰ আৰু সীমাবদ্ধতা জনাই একোখনকৈ পত্ৰ প্ৰতিগৰাকী হিতাধিকাৰীক দিয়া হয়। প্ৰাপ্ত সমৰ্থিত সেৱা আৰু বিভিন্ন সেৱাৰ সময় সীমাবদ্ধতাৰো ইয়াত ইংগিত দিয়া হয়। হিতাধিকাৰীলৈ পূঁজিৰ প্ৰথম কিস্তীৰ বাবে পূঁজি স্থানান্তৰণৰ আদেশ পত্ৰ মুকলি কৰা হয়।

➲ **আই এ ৱাই ঘৰ হিতাধিকাৰীক মঞ্জুৰী দিওঁতে বাছনিকৰণৰ কোনো ভিত্তি আছে নেকি ?**

আছে । যি কোনো আই এ ৱাই বাৰ্যিক আৰু পৰিপ্ৰেক্ষাণ পৰিকল্পনাৰ বাবে হিতাধিকাৰী বাছনিৰ ক্ষেত্ৰত ৬০% এছছি /এছ টি আৰু ৪০% সাধাৰণ তথা তাৰ মাজত ১৫% সংখ্যালঘু হিতাধিকাৰী আৰু ৩% শাৰিৰীক বিকলাংগৰ বাবে ধাৰ্য কৰা থাকে।

➲ **আই এ ৱাই ঘৰ পাবলৈ মোৰ ধন দিয়াৰ প্ৰয়োজন আছে নেকি ?**

হিতাধিকাৰীয়ে আই এ ৱাই ঘৰ পাওঁতে জিপিৰ কোনো বিষয়া কৰ্মচাৰী বা সদস্যক কোনো ধন দিব নালাগে ই সম্পূৰ্ণ ভাৱে চৰকাৰী অনুদান।

## ৪. আই এ ৱাই নতুন গৃহ নিৰ্মাণ

➲ **আই এ ৱাই গৃহ নিৰ্মাণৰ কিবা নিৰ্দিষ্ট নক্সা আছে নেকি ?**

আই এ ৱাই গৃহ নিৰ্মাণৰ কোনো নিৰ্দিষ্ট ডিজাইন নাই। অৱশ্যে এক আৰ্হিমূলক ডিজাইন প্ৰস্তুত কৰা হয়। আই এ ৱাই আঁচনি গৃহ নক্সা ক্ষেত্ৰীয় প্ৰয়োজন সাপেক্ষে গ্ৰহণ কৰিব পাৰে; কিন্তু গৃহৰ আয়তন বিশ বৰ্গ ফুটৰ কম হ’ব নোৱাৰিব।

➲ **বিশেষীকৃত নক্সা অনুসৰি মই প্ৰয়োজন অনুপাতে গৃহক প্ৰসাৰ কৰিব পাৰো নেকি ?**

বিশেষ নক্সা কেবল আৰ্হিমূলকহে । এজন হিতাধিকাৰীয়ে প্ৰয়োজন অনুসৰি

তেওঁৰ বা তাইৰ নিজৰ চেষ্টাৰে প্ৰসাৰ কৰিব পাৰে ।

- **ঘৰ কোনে নিৰ্মাণ কৰিব, চৰকাৰে / ব্যক্তিগত সংস্থা / এনেজিঅ' / হিতাধিকাৰীয়ে ?**

  পঞ্চায়ত সচিব আৰু ব্লক কাৰ্যালয়ৰ কনিষ্ঠ অভিযন্তাৰ পৰা কাৰিকৰী দিহা-পৰামৰ্শ লৈ হিতাধিকাৰীয়ে স্থানীয় মিস্ত্ৰী, সহায়কাৰী আৰু সামগ্ৰী যোগনিয়াৰ নিয়োগ কৰি নিজে ঘৰ নিৰ্মাণ কৰিব। অৱশ্যে, ঘৰৰ নক্সা অনুসৰি ঘৰৰ নিৰ্মাণৰ ক্ষেত্ৰত আৰ্হিমূলক পৰামৰ্শ মানি চলিবলৈ কোৱা হৈছে ।

- **আই এ ৱাই ঘৰ নিমাৰ্ণত কোনে কাৰিকৰী ভাবে তদাৰক কৰে ?**

  গাওঁ পঞ্চায়তৰ নিৰ্ধাৰিত কৰি দিয়া মতে খণ্ড উন্নয়ন কাৰ্যালয়ৰ পৰা কনিষ্ঠ অভিযন্তা আৰু পঞ্চায়ত সচিবে পৰ্যায় ক্ৰমে সময়ে সময়ে ঘৰ নিৰ্মাণত কাৰ্যকৰী দিশত তদাৰক কৰে ।

- **নতুন ঘৰ নিৰ্মানৰ কিবা নিৰ্ধাৰিত সময় আছে নেকি ?**

  বিভিন্ন বতৰৰ অৱস্থা আৰু আন কাৰকৰ বাবে নিৰ্মাণৰ পৰ্যায়ত তলত দিয়াধৰণে সময়সীমা মানি চলা হয়।

  পৰ্যায়-১ঃ প্ৰথম কিস্তীৰ ধন মুকলি কৰি দিয়াৰ ন মাহৰ ভিতৰত মূল ভেটিলৈকে নিৰ্মাণ কৰা।

  পৰ্যায়-২ঃ ২য় কিস্তীৰ ধন মুকলি কৰা তাৰিখৰ পৰা ন মাহৰ ভিতৰত ঘৰ সম্পূৰ্ণ কৰা।

- **নতুন ঘৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ স্থিতি ?**

  এটা ঘৰ সম্পৰ্ণ কৰোতে সাধাৰণতে প্ৰথম কিস্তীৰ মঞ্জুৰী তাৰিখৰ পৰা দুবছৰতকৈ অধিক সময় ল'ব নোৱাৰিব। অৱশ্যে বি পি এলৰ হিতাধিকাৰীৰ পৰা ঘৰ সম্পৰ্ণ কৰা সা-সামগ্ৰী যোগানত অসুবিধাৰ সন্মুখীন হ'লে ঘৰ নিৰ্মানত পলমৰ কাৰণ নিৰীক্ষন কৰা হয় আৰু ঘৰ সম্পূৰ্ন কৰিবলৈ সৰ্বোচ ৩ বছৰ সময় দিয়া হয়।

  আই এ ৱাই নতুন গৃহ সম্পূৰ্ন কৰাৰ পাছত ডি আৰ ডি এ কৰ্তৃপক্ষই প্ৰতিটো নিৰ্মিত ঘৰৰ বাবে এখন প্ৰদৰ্শন ফলকত আই এ ৱাই ল'গ', নিৰ্মানৰ বছৰ, হিতাধিকাৰীৰ নাম, বি পি এল আই ডি নম্বৰ ইত্যাদি সন্নিৱিষ্ট কৰা হয়।

## ৫. হিতাধিকাৰীৰ বাবে কাৰ্যসূচী

- **আই এ ৱাই হিতাধিকাৰীয়ে পাব পৰা আন কোনো সা-সুবিধা তথা আঁচনি আছে নেকি ?**

  আই এ ৱাই হিতাধিকাৰী এনে এজন ব্যক্তি যিজনৰ বৈধ বি পি এল পৰিচয় আছে, তেন্তে বি পি এল পৰিয়ালৰ বাবে ধাৰ্য কৰা যি কোনো চৰকাৰী উন্নয়নমূলক আঁচনিৰ সুবিধা আই এ ৱাই হিতাধিকাৰীয়ে ল'ব পাৰে।

- **কাৰ্যসূচীসমূহ কেনেধৰণৰ আৰু সেইবোৰ পাবলৈ কাক যোগাযোগ কৰিব**

**লাগে ?**

আই এ ৱাই হিতাধিকাৰীয়ে পাব পৰা কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতা লাভ কৰা কাৰ্যসূচীসমূহ হৈছে- নিৰ্মল ভাৰত অভিযানৰ অন্তৰ্গত অনাময় সুবিধা (শৌচালয়), ৰাষ্ট্ৰীয় গ্ৰামীণ খোৱাপানী আঁচনি (NRDWP)ৰ অধীনত খোৱাপানী সংৰক্ষণ, ৰাজীৱ গান্ধী গ্ৰাম্য বৈদ্যুতি কৰণ যোজনা (RGGVY)ৰ অধীনত গ্ৰামীণ বৈদ্যতিকীকৰণ, ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা (RSBY) ৰ অধীনত সামাজিক সুৰক্ষা বা জীৱন বীমা নিগমৰ দ্বাৰা দুখীয়াৰ বাবে জনশ্ৰী বীমা যোজনা আৰু আম আদমী বীমা যোজনা, ভূমি উন্নয়ন বা পথ সংযোগীকৰনৰ সুবিধা দিয়া হয় এনৰেগাৰ আঁচনিৰ অধীনত ।

উপৰিউক্ত সকলো কাৰ্যসূচী গাঁও পঞ্চায়ত কাৰ্যালয় যোগে ৰূপাযণ কৰা হয়। এইবোৰ আঁচনিৰ সুবিধা পাবলৈ এগৰাকী আই এ ৱাই হিতাধিকাৰীয়ে বিতং তথ্যৰ বাবে গাওঁ পঞ্চায়ত কাৰ্যালয়ত যোগাযোগ কৰাৰ প্ৰয়োজন হ'য়।

➲ **সেইবোৰ সুবিধা পাবলৈ মোৰ একে বি পি এল কাৰ্ড আৰু পৰিচয়েই যথেষ্ট নে ?**

হয়, উক্ত সামূহিক উন্নয়নমূলক কাৰ্যসূচীসমূহৰ অধীনত সুবিধা পাবলৈ একে বি পি এল কাৰ্ডেই যথেষ্ট।

## ৬. দায়বদ্ধতা

➲ **আই এ ৱাই কাৰ্যসূচীৰ দায়বদ্ধতা নিশ্চিতনে ?**

আই এ ৱাই কাৰ্যসূচীৰ গ্ৰহণযোগ্যতাৰ দিশত, ৰূপায়ণৰ বিতং তথ্য দেৱাল লিখন বা গাঁও পঞ্চায়ত কাৰ্যালয়ত প্ৰদৰ্শনৰ যোগেদি আৰু গাঁও পঞ্চায়ত পৰ্যায়ত SHGs/AWWs/ASHs/ জন নেতা আদিৰ যোগেদিও প্ৰকাশ কৰা হয়। বিতং সন্নিৱিষ্ট তথ্য সুবিধা যেনে- ৫ বছৰৰ অগ্ৰাধিকাৰ তালিকাৰ ভিত্তিত পৰিয়ালৰ নাম আৰু ঠিকনা, বছৰি নিৰ্বাচিত হিতাধিকাৰী সকলৰ নাম আৰু তালিকা, নিৰ্বাচন নীতি, উপযুক্ত দায়বদ্ধতা, টকাৰ পৰিমাণ আৰু বিতৰণ, গৃহৰ নিৰ্মাণ সম্পূৰ্নকৰণৰ তাৰিখ, অধিকাৰ, হিতাধিকাৰীসকলৰ অধিকাৰ আৰু দায়িত্ব, আৱাচফ্ট (Awaasoft)ৰ পঞ্জীকৰণ, চৰকাৰী সমৰ্থিত সেৱা আৰু অভাৱ-অভিযোগ প্ৰতিকাৰৰ বিকল্প উপায় আদি।

➲ **আই এ ৱাই কাৰ্যসূচীৰ অধীনত কোনো ৰাজহুৱা হিচাপ হয় নে ?**

সামাজিক হিচাপ পৰীক্ষা (Social Audit) এক অবিৰাম আৰু চলিত প্ৰক্ৰিয়া; আঁচনি ৰূপায়ণৰ ৰাজহুৱা তদন্ত আৰু সত্যতা নিৰূপণৰ যোগেদি এই প্ৰক্ৰিয়া সাব্যস্ত হয়। প্ৰতিখন গাঁও পঞ্চায়তত বছৰত কমেও এবাৰ সামাজিক হিচাপ পৰীক্ষা পৰিচালিত হয়। এনৰেগাৰ অধীনত সামাজিক হিচাপ পৰীক্ষা গোট (SAU) প্ৰতিষ্ঠা কৰা হয় যাৰ দ্বাৰা আই এ ৱাই কাৰ্যসূচীৰ সকলো অংশৰে সামাজিক হিচাপ পৰীক্ষা পৰিচালনাৰ সুবিধা কৰা হয়।

সামাজিক হিচাপ-নিকাচ স্থানীয় ভাষাত প্ৰস্তুত কৰা হয় আৰু গাঁও সভাৰ সামাজিক

হিচাপ পৰীক্ষাৰ মূৰব্বীয়ে চহী কৰে আৰু গাঁও পঞ্চায়তৰ জাননী ফলকত প্ৰদৰ্শন কৰা হয়।

## ৭. অভিযোগ/প্ৰতিকাৰ

➲ **আই এ ৱাই কাৰ্যসূচীৰ অধীনত অভিযোগ-প্ৰতিকাৰৰ কোনো ব্যৱস্থা আছেনে? অভিযোগ-প্ৰতিকাৰ ব্যৱস্থাই কেনেকৈ কাম কৰে?**

হয়, আই এ ৱাই আচঁনিৰ ৰাজিক/জিলা/ব্লক পৰ্যায়ত প্ৰতিকাৰৰ ব্যৱস্থা আছে। অভিযোগ প্ৰতিকাৰ পদ্ধতিৰে তলত দিয়া সমস্যাবোৰ অধীনলৈ আনে- হিতাধিকাৰী বাছনিৰ অনিয়মীয়া ব্যৱস্থা, সমৰ্থিত সেৱাৰ অব্যৱস্থা, সমপৰ্যায়ৰ আচঁনিৰ অব্যৱস্থা, কিস্তী মুকলিৰ অনিয়মীয়া ব্যৱস্থা, নক্সা পছন্দ/নিমাণ প্ৰযুক্তি বাছনিত হিতাধিকাৰীৰ দ্ধাৰা অসন্মতি জনোৱা ইত্যাদি।

➲ **আই এ ৱাইৰ অধীনত অভিযোগ-প্ৰতিকাৰ ব্যৱস্থাই কেনেকৈ কাম কৰে?**

আই এ ৱাইৰ অধীনত অভিযোগ পঞ্জীয়ন ব্যৱস্থাৰ বহুমুখী উপায় আছে যাৰ দ্বাৰা আই এ ৱাই ৱেবছাইটত অনলাইন অভিযোগ বা লিখিত অভিযোগ দিব পাৰি। সকলো অভিযোগ স্থান, তাৰিখসহ গ্ৰহণ কৰি জনোৱা হয়।

৩০ দিনৰ সময়সীমাৰ ভিতৰত বিভিন্ন পৰ্যায়ৰ অভিযোগবোৰ সমাধা কৰা হয় বা অভিযোগবোৰ আপোনা-আপুনি পৰৱৰ্তী উচ্চ মহললৈ সমাধানৰ বাবে পঠিওৱা হয়।

প্ৰতিমাহে বা মাহিলী প্ৰতিবেদনৰ যোগেৰে বা এম আই এচ (MIS) সৃষ্ট প্ৰতিবেদনৰ সহায়ত অভিযোগৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অভিযোগ সমাধানৰ স্থিতিৰ বিষয়ে এক নিৰীক্ষণ ব্যৱস্থা হাতত লোৱা হয়।

## ৮. ৰাজহুৱা ক্ষেত্ৰত তথ্য

➲ **ৰাজহুৱা ক্ষেত্ৰত আই এ ৱাইৰ তথ্য জানিবলৈ কোনো ব্যৱস্থা আছে নে?**

হয় আছে। আই এ ৱাইৰ বিষয়ে MIS যোগে জানিব পাৰে; যাক কোৱা হয় Awaasoft.

➲ **আৱাছ'ফট (Awaasoft) কি ?**

আই এ ৱাইৰ ই-গৱৰ্ণেন্স সুবিধাৰ বাবে Awaasoft ত কাৰ্যবাহী আধাৰিত লেনদেন পৰ্যায়ৰ প্ৰবন্ধন তথ্য পদ্ধতি প্ৰতিষ্ঠাপিত কৰা হৈছে। এই পদ্ধতিত হিতাধিকাৰীকে ধৰি আই এ ৱাইৰ সৈতে সম্পৰ্কিত সকলো তথ্য সংযোজনৰ ব্যৱস্থা ৰখা হৈছে।

পৰ্টেল http:/lay.nic.in সকলো ৰাষ্ট্ৰীয়/আন্তৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ বাবে গ্ৰহণযোগ্য।

# পিছপৰা অঞ্চল মঞ্জুৰী পুঁজি (বি আৰ জি এফ)

## ১. বি আৰ জি এফ

➲ **বি আৰ জি এফ কি ?**

উন্নয়নত আঞ্চলিক অসাম্যৰ প্ৰতিকাৰ কৰিবলৈ পিছপৰা অঞ্চল মঞ্জুৰী পুঁজি, প্ৰস্তুত কৰা হৈছে। উক্ত আঁচনিৰ বাবে পৰিকল্পিত ভাবে নিৰ্বাচিত জিলাসমূহত বৰ্তি থকা উন্নয়নমূলক কাৰ্যসূচীক লক্ষ্যত উপনীত কৰিবলৈ বিত্তীয় সম্পদৰ সংযোজন ঘটায় ।

➲ **বি আৰ জি এফৰ লক্ষ্যসমূহ কি কি ?**

বি আৰ জি এফ ৰ বহল লক্ষ্যসমূহ হৈছে-

ক) স্থানীয় আন্তঃগাথঁনি আৰু আন উন্নয়নমূলক আৱশ্যকতাৰ মাজত বৰ্তি থকা বিত্তীয় সম্পদৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ অক্ষম হোৱাৰ ফলত সৃষ্টি হোৱা জটিল ব্যৱধান আঁতৰাবলৈ সাঁকো গঢ়া ।

খ) পঞ্চায়ত আৰু পৌৰনিগম স্তৰত শাসনকাৰ্যক অধিক উপযুক্ত ভাবে সক্ষম কৰি তোলা, অংশীদাৰী পৰিকল্পনা সক্ষম কৰি তোলা, সিদ্ধান্ত নিৰ্মাণ, ৰূপায়ণ আৰু নিৰীক্ষণ, স্থানীয় লোকৰ প্ৰয়োজনীয়তাৰ প্ৰতিফলন ঘটোৱা।

গ) স্থানীয় নিকায়ৰ পৰিকল্পনা ৰূপায়ণ আৰু তাৰ নিৰীক্ষণৰ ক্ষেত্ৰত স্থানীয় নিকায়লৈ পেছাদাৰী সমৰ্থন আগবঢ়োৱা।

ঘ) পঞ্চায়তৰ দ্বাৰা নিৰ্ধাৰিত কাৰ্যত ভূমিকা আৰু জটিল কাৰ্যকলাপ সমাপনৰ দিশত উন্নতি সাধন কৰা আৰু স্থানীয় সক্ষমতাৰ অপৰ্যাপ্ততাৰ কাৰনে হোৱা ন্যায়মূলক অসমতা পূৰ কৰিবলৈ সাম্ভাব্য দক্ষতা প্ৰয়োগ কৰা।

➲ **বি আৰ জি এফ কেনেধৰণৰ পুঁজিৰে গঠিত হৈছে?**

পিছপৰা অঞ্চল মঞ্জুৰী পুঁজিত দুই ধৰনৰ বহল ভিত্তিক পুঁজি আছে—

১) সক্ষমতা নিৰ্মাণ পুঁজি- পৰিকল্পনা, ৰূপায়ন, নিৰীক্ষণ, গণনা, গ্ৰহণযোগ্যতা আৰু স্বচ্ছতাৰ বিকাশ সাধনৰ দিশত সক্ষমতা সৃষ্টি।

২) অংশীদাৰী পৰিকল্পনা প্ৰক্ৰিয়াৰ যোগেদি সংহত উন্নয়ন চিনাক্তকৰণত থকা জটিল ব্যৱধানসমূহ আঁতৰোৱা। মুক্ত মঞ্জুৰী পুঁজি- এই পুঁজি পঞ্চায়তসমূহ আৰু চহৰীয়া স্থানীয় নিকায়সমূহ (ULBs)ক আবণ্টন দিয়া হয়।

## ২. বি আৰ জি এফৰ পৰিকল্পনা প্ৰক্ৰিয়া

➲ **বি আৰ জি এফৰ কাৰণে কোনো পৰিকল্পনা প্ৰক্ৰিয়া আছেনে ?**

হয়, বি আৰ জি এফত কঠিন বিশ্লেষনাত্মক পৰিকল্পনা প্ৰক্ৰিয়া জড়িত থাকে।

➲ **পৰিকল্পনা প্ৰক্ৰিয়া কেনেদৰে আগবাঢ়ে ?**

বি আৰ জি এফৰ লগত জড়িত পৰিকল্পনা প্ৰক্ৰিয়াৰ বিভিন্ন স্তৰ আছেঃ

ক) গাঁও পঞ্চায়তৰ কাৰণে পৰিকল্পনা গাঁও সভাৰ যোগেদি কৰা হয়, য'ত আন উন্নয়নমূলক কাৰ্যসূচীৰ জটিল অন্তৰায়সমূহ বিশ্লেষনেৰে সৈতে পৰিকল্পনাবোৰ বিতং ভাবে আলোচনা কৰা হয় আৰু জিলা পৰিষদত সংকলিত কৰিবলৈ চূড়ান্ত পৰিকল্পনা দাখিলৰ কাৰণে তথ্য লিপিবদ্ধ কৰা হয়।

খ) জিলা পৰিষদলৈ পৰৱৰ্তী দাখিলৰ বাবে পঠিয়াবলৈ আঞ্চলিক পঞ্চায়তত পৰিকল্পনা সমূহত আঞ্চলিক পঞ্চায়ত সমন্বয়ৰক্ষী কমিটীৰ দ্বাৰা ইয়াক অনুমোদন জনোৱা হয় ।

গ) জিলা পৰিষদে ইউ এল বিৰ সৈতে সহযোগিতা কৰি নিজৰ পৰিকল্পনা প্ৰস্তুত কৰে। ই সকলো পৰিকল্পনা গাওঁ পঞ্চায়তৰ পৰা জিলা পৰিষদলৈ চহৰীয়া স্থানীয় নিকায়ৰ (ULB) পৰিকল্পনাসহ জিলা পৰিকল্পনা কমিটীৰ সভাত অনুমোদন আৰু তথ্য সংকলনৰ বাবে দাখিল কৰে।

➲ **পৰিকল্পনা প্ৰক্ৰিয়াত কোনে নেতৃত্ব লয় ?**

এখন বি আৰ জি এফ জিলাত জিলা পৰিষদে সমগ্ৰ পৰিকল্পনা প্ৰক্ৰিয়াত নেতৃত্ব গ্ৰহণ কৰে য'ত আন অংশীদাৰসকলে বিভিন্ন পৰ্যায়ত সমন্বয় আৰু সমৰ্থন জনায়।

➲ **বিভিন্ন পৰ্যায়ত পৰিকল্পনাবোৰত কেনেকৈ ভেটো প্ৰদান কৰা হয় ?**

জি পি পৰ্যায়ত গাঁও সভাত পৰিকল্পনাবোৰত ভেটো প্ৰদান কৰা হয়। আঞ্চলিক পঞ্চায়ত স্তৰত পৰিকল্পনাসমূহ এ পি সমন্বয়ৰক্ষী কমিটীৰ সভাত ভেটো প্ৰদান কৰা হয় আৰু জিলা পৰ্যায়ৰ পৰিচালনাসমূহ জিলা পৰিকল্পনা কমিটিৰ (DPC) সভাত ভেটো প্ৰদান কৰা হয়।

➲ **জিলা পৰিচালনা কমিটী মানে কি ?**

জিলা পৰিকল্পনা কমিটি (ডি পি চি) হৈছে জিলাৰ পৰিকল্পনাসমূহ মনোনয়ন আৰু তথ্য লিপিবদ্ধকৰণৰ কাৰণে জিলা স্তৰৰ সবলীকৃত সংবিধানসন্মত সংস্থা। জিলা পৰিষদৰ সভাপতি হৈছে জিলা পৰিকল্পনা কমিটিৰ সভাপতি আৰু মূখ্য কাৰ্যবাহী বিষয়া হৈছে জিলা পৰিকল্পনা কমিটিৰ সদস্য সচিব, উপাযুক্ত আৰু বিভিন্ন ক্ষেত্ৰৰ বিভাগৰ আন জিলা বিষয়াসকল হৈছে ডি পি চিৰ স্থায়ী আমন্ত্ৰিত সদস্য। বিভিন্ন বিভাগৰ সকলো কাৰ্যসূচীমূলক পৰিকল্পনা আৰু আঁচনিবোৰ ডি পি চিৰ দ্বাৰা

অনুমোদিত হ'ব বুলি ধৰি লোৱা হয়। ডি পি চি হৈছে জিলাখনৰ সাৰ্বজনীন উন্নয়নৰ দিশত কেন্দ্ৰীয় ন'ডেল কমিটী।

## ৩. পূঁজিৰ সক্ষমতা ৰূপায়ণ

➲ **বি আৰ জি এফৰ অধীনত সক্ষমতা নিৰ্মাণ কাৰ্যৰ পূঁজিয়ে কিদৰে প্ৰতিনিধিত্ব কৰে ?**

সক্ষমতা নিৰ্মাণ পূঁজিয়ে জিলা পৰিষদক কাৰ্যপালিকা আৰু আন অংশীদাৰীসকলৰ পৰিকল্পনা ৰূপায়ণ, হিচাপ-নিকাচ পৰ্যবেক্ষণ, গ্ৰহণযোগ্যতাৰ উন্নতি আৰু স্বচ্ছতাৰ ক্ষেত্ৰত সক্ষমতা নিৰ্মাণ কৰাত সমৰ্থন আগবঢ়ায়।

➲ **সক্ষমতা নিৰ্মাণকাৰ্য পূঁজিৰ কোনে ৰূপায়ণ কৰে ?**

সক্ষমতা নিৰ্মাণকাৰ্য জিলা পৰিষদৰ দ্বাৰা কাৰ্যকৰী হয় আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়ত পৰ্যায়ত আনুপাতিক বিতৰণেৰে অনুমোদিত পৰিকল্পনা সমূহত কাৰ্যসূচীৰ ৰূপৰেখাৰ আদান-প্ৰদান কৰে।

## ৪. মুক্ত পূঁজি

➲ **বি আৰ জি এফৰ অধীনত মুক্ত পূঁজি মানে কি ?**

মুক্ত পূঁজিয়ে বি আৰ জি এফৰ অধীনত পঞ্চায়তসমূহ আৰু চহৰীয়া নিকায় (ULBs) সমূহৰ পূঁজি অনুমোদনত বিভিন্ন পৰ্যায়ত পৰিকল্পনা প্ৰক্ৰিয়াত অংশগ্ৰহনৰ যোগেদি সংহত উন্নয়ন চিনাক্তকৰণৰ সৈতে বিভিন্ন আঁচনিৰ লক্ষ্যত উপনীত কৰাৰ যোগেৰে জটিল অন্তৰায় সমূহ আঁতৰ কৰাত প্ৰতিনিধিত্ব কৰে। বিভিন্ন ৰূপায়িত আঁচনিলৈ পূৰ্বনিৰ্ধাৰিত চৰ্ত অনুসৰি পূঁজিৰ অনুমোদন জনোৱা হয়।

➲ **কোনে মুক্ত পূঁজিৰ ব্যৱহাৰ কৰে ?**

তিনি তৰপীয়া বিভিন্ন স্তৰত থকা পঞ্চায়ত অনুষ্ঠান আৰু চহৰীয়া স্থানীয় নিকায়সমূহে মুক্ত পুঁজি ব্যৱহাৰ কৰে। এই পুঁজি ব্যৱহাৰত বিভিন্ন কাৰিকৰী বিভাগ সমূহে সহযোগিতা আগবঢ়ায়।

➲ **বি আৰ জি এফৰ অধীনত পঞ্চায়ত আৰু ইউ এল বিলৈ পূঁজি বিতৰণৰ নমুনা কেনেধৰণৰ ?**

বি আৰ জি এফৰ অধীনত, জিলাই গাঁও পঞ্চায়তক আঁচনি আৰু পৰিকল্পনাৰ বাবে ৫০% , আঞ্চলিক পঞ্চায়তক তেওঁলোকৰ সংহত আঁচনিৰ বাবে ৩০% আৰু জিলা পৰিষদক ইউ এল বি আঁচনিসহ প্ৰতিটো পৰিকল্পনা অনুসৰি আঁচনিবোৰ ৰূপায়ণ কৰিবলৈ মঞ্জুৰীকৃত আৰু অনুমোদিত পূঁজিৰ ২০% বিতৰণ কৰে।

## ৫. পূঁজি সঞ্চাৰণৰ প্ৰক্ৰিয়া

- **বি আৰ জি এফ কাৰ্যসূচীৰ অধীনত পুঁজি সঞ্চাৰণৰ প্ৰক্ৰিয়া কেনেধৰনৰ ?**

  বি আৰ জি এফৰ অধীনত কেন্দ্ৰীয় চৰকাৰে জিলা বাৰ্ষিক পৰিকল্পনাসমূহ মঞ্জুৰ কৰে যাক অনুমোদনৰ বাবে অসম চৰকাৰৰ সৈতে যোগাযোগ কৰা হয়। ৰাজ্যিক চৰকাৰে পুঁজি মঞ্জুৰি দিয়ে আৰু জিলাসমূহক পুঁজি মঞ্জুৰিৰ বিষয়ে অৱগত কৰে। ৰাজ্যিক চৰকাৰৰ দ্বাৰা অনুমোদন পোৱাৰ পাছত ৰাজ্যিক চৰকাৰে পোনে পোনে পূঁজি জিলা বি আৰ জি এফ একাউণ্টলৈ স্থানান্তৰ কৰে আৰু জিলা পৰিষদে জিলাৰ ভিতৰত বিভিন্ন স্তৰলৈ বিতৰণ কৰে।

- **বি আৰ জি এফত ৰাজ্যৰ চৰকাৰ পুঁজিৰ অংশ থাকে নে ই সম্পূৰ্ণৰূপে কেন্দ্ৰ সমৰ্থিত মঞ্জুৰী ?**

  বি আৰ জি এফ সম্পূৰ্ণৰূপে কেন্দ্ৰ সমৰ্থিত মঞ্জুৰী পূঁজি। ইয়াত কোনো ৰাজ্যিক পুঁজিৰ অংশ জড়িত নহয়।

- **পূঁজিৰ জিলা অনুমোদন আৰু মঞ্জুৰী কোনে নিৰ্ধাৰণ কৰে ?**

  জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া (CEO) হৈছে কৰ্তৃত্বপ্ৰাপ্ত এজেন্সী যিয়ে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰাপ্ত অনুমোদিত পৰিকল্পনাসমূহৰ মতে জিলাৰ ভিতৰত পুঁজিৰ আৱশ্যকীয় আবণ্টন আৰু মঞ্জুৰী জিলা পৰিষদৰ সভাপতিৰ অনুমোদন সাপেক্ষে দিয়ে।

- **বি আৰ জি এফৰ অধীনত আঁচনিসমূহৰ বাবে সামাজিক গোট ভিত্তিক অগ্ৰাধিকাৰ দিয়া হয় নে ?**

  হয়, বি আৰ জি এফৰ অধীনত আঁচনিসমূহৰ বাবে বিশেষ গোট ভিত্তিক অগ্ৰাধিকাৰ দিয়া হয়। বিশেষ গোটভিত্তিক এছ চি আৰু এছ টি সম্প্ৰদায়ক নিৰ্দিষ্ট আৱন্টিত শতাংশ অনুযায়ী অগ্ৰাধিকাৰ দিয়া হয়। আঁচনিসমূহ যেনে- সামূহিক ভৱন, আৱাসিক মাধ্যমিক বিদ্যালয় / ছাত্ৰাবাস এছ চি / এছ টি শিক্ষাৰ্থীৰ বাবে, গ্ৰাম্য খেলপথাৰ, যুৱসমাজৰ বাবে দক্ষতা নিৰ্মাণ প্ৰশিক্ষণ, যুৱসমাজৰ বাবে নিয়োগ পূৰ্ব প্ৰশিক্ষণ, আত্মসহায়ক গোটৰ অধীনত কৃষিবিষয়ক খেতিয়কলৈ ট্ৰেক্টৰ আৰু কৃষি সংক্ৰান্তীয় সঁজুলি ইত্যাদিৰ ওপৰত জিলা পৰিকল্পনা কমিটিৰ চিনাক্তকৃত আঁচনিসমূহক অগ্ৰাধিকাৰ দিয়া হয়।

## ৬. হিচাপ পৰীক্ষণ আৰু নিৰীক্ষণ

- **বি আৰ জি এফৰ কোনো চৰকাৰী হিচাপ পৰীক্ষণ আছেনে ?**

  আছে। চাৰ্টাৰ্ড একাউণ্ট ফাৰ্ম যোগেদি আভ্যন্তৰীণ অ'ডিটৰ দ্বাৰা বি আৰ জি এফৰ চৰকাৰী হিচাপ পৰীক্ষা কৰা হয় আৰু এই সকলো হিচাপ ভাৰতৰ মহাগাননিকৰ দ্বাৰা হিচাপ পৰীক্ষণ কৰা হয়।

- **বি আৰ জি এফৰ সামাজিক হিচাপ পৰীক্ষণ বাধ্যতামূলক নে?**

  বি আৰ জি এফৰ বাবে সামাজিক হিচাপ পৰীক্ষণ অন্য উন্নয়নমূলক কাৰ্যসূচীৰ দৰে সমভাবে বাধ্যতামূলক। সামাজিক হিচাপ পৰীক্ষণ প্ৰতিবেদন গাঁওসভা-ৱাৰ্ড সভাত লিপিবদ্ধ কৰা হয়। এনৰেগাৰ অধীনত স্থাপন কৰা চৰ্তমতে সামাজিক হিচাপ পৰীক্ষন পৰিচালনা কৰা হয়।

- **বি আৰ জি এফৰ বাবে কোনো অভিযোগ দূৰীকৰণৰ ব্যৱস্থা আছেনে?**

  বি আৰ জি এফৰ অধীনত অভিযোগ দূৰীকৰণৰ ব্যৱস্থা প্ৰতিষ্ঠা কৰা আছে। যিকোনো অভিযোগৰ বাবে গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদত অভিযোগসমূহ দাখিল কৰিব আৰু এই পৰ্যায়সমূহত অভিযোগ প্ৰকাশত ব্যৰ্থ হোৱাৰ পাছত পৰৱৰ্তী উচ্চ পৰ্যায়ত অভিযোগ নথিভূক্ত কৰাৰ প্ৰয়োজন হয়।

- **কেনেকৈ আৰু কোনে জিলা পৰ্যায়ত বি আৰ জি এফ আঁচনিসমূহৰ নিৰীক্ষণ কৰে?**

  জিলা পৰিষদৰ কাৰ্যালয়ৰ মুখ্য কাৰ্যবাহী বিষয়াৰ সহযোগত ডি পি চিৰ দ্বাৰা গঠিত জিলা পৰ্যায়ৰ জিলা সমীক্ষক কমিটীৰ দ্বাৰা বি আৰ জি এফ আঁচনিসমূহৰ নিৰীক্ষণ কৰা হয়। একেদৰে, পঞ্চায়ত আৰু গ্ৰামোন্নোয়ন বিভাগৰ অধীনত ৰাজ্য চৰকাৰৰ পৰা গঠিত হোৱা দলে আঁচনিসমূহ নিৰীক্ষণ কৰে।

- **বি আৰ জি এফ ৰূপায়ণৰ বাবে কোন চৰকাৰী কাৰ্যপালিকাৰ দায়বদ্ধতা আছে?**

  জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াগৰাকী জিলাসমূহত বি আৰ জি এফৰ ৰূপায়ণৰ বাবে দায়বদ্ধ। একেদৰে ৰাজ্যখনৰ নিৰ্বাচিত জিলাসমূহত বি আৰ জি এফৰ কাৰণে ৰাজ্যিক পৰ্যায়ত যোগাযোগ দায়বদ্ধতাৰ বাবে এক ন'ডেল কাৰ্যালয় থাকে।

- **বি আৰ জি এফ আঁচনিসমূহ কোনো ৰাজহুৱা সম্পৰ্কিত ছাইটছসমূহত পোৱা যায়নে?**

  ই-পঞ্চায়ত প'ৰ্টেলৰ অধীনত এক যোগাযোগৰ ৱেবছাইট বি আৰ জি এফৰ কাৰ্যত ন্যস্ত আছে। বি আৰ জি এফৰ প্ৰগতি স্থিতি, পূঁজি আবণ্টন আৰু মঞ্জুৰী, পৰিকল্পনা আৰু আন সম্পৰ্কিত তথ্য www.brgf.gov.in ত লাভ কৰিব পাৰে।

## ৭. সুবিধা প্ৰদান

- **টি এছ আই কি?**

  টি এছ আই মানে হৈছে টেকনিকেল চাপ'ৰ্ট ইন্সটিটিউটছ; যি বিশিষ্ট এন জি অ', গৱেষণা আৰু উন্নয়ন সংস্থা, পৰামৰ্শদাতা ফাৰ্ম ইত্যাদি হ'ব পাৰে বা সেইবোৰ চৰকাৰী প্ৰতিষ্ঠান/অৰ্ধ চৰকাৰী প্ৰতিষ্ঠান/ব্যক্তিগত প্ৰতিষ্ঠান বা এজেন্সী হ'ব পাৰে।

➲ **টি এছ আই ব্যৱস্থাক কোনে সমৰ্থন কৰে ?**

টি এছ আইয়ে সুবিধা প্ৰদানকাৰী আৰু অনুঘটকৰ ভূমিকা পালন কৰিব পাৰে। তেওঁলোকে পঞ্চায়ত, ইউ এল বি কাৰ্যপালিকা আৰু আন অংশীদাৰী সকলক আনুষংগিক আৰু বাৰ্ষিক পৰিকল্পনাৰ প্ৰস্তুতিৰ সক্ষমতা বৃদ্ধি কৰে। গাঁওসভা পৰিচালনা আৰু সামাজিক হিচাপ পৰীক্ষণত পৰিকল্পনাৰ বিভিন্ন স্তৰ আৰু ৰূপায়ণত নিদেৰ্শনা দিয়ে। জিলাৰ পৰিষদ কাৰ্যালয়ত বিভিন্ন স্তৰত নিয়োজিত কৰ্মচাৰীসকলৰ বাবে কৰ্মশালা আৰু প্ৰশিক্ষণ কাৰ্যসূচী পৰিচালনা কৰে। তেওঁলোকে জিলাৰ তথ্য আৰু বাৰ্ষিক পৰিকল্পনা, ই পঞ্চায়ত পৰ্টেল প্লেন পছ ছ'ফটৱেৰত পৰিকল্পনা তথ্যসমূহ আপলোড কৰে।

➲ **বি আৰ জি এফৰ অধীনত কোনে টি ইছ আই বাছনি কৰে ?**

অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ আৰু পঞ্চায়তৰ দ্বাৰা অনুমোদিত জিলা পৰিষদৰ চি ই অ' কাৰ্যালয়ে টি এছ আইক আনুষ্ঠানিকভাবে নিৰ্বাচন কৰে আৰু আৱশ্যকীয় নিশ্চিতিকৰণৰ বাবে পঞ্চায়তীৰাজ মন্ত্ৰালয়লৈ অৱগত কৰিবলৈ চূড়ান্তভাবে প্ৰেৰণ কৰা হয়।

➲ **বি আৰ জি এফৰ দ্বাৰা কেনেকৈ টি এছ আইক ধন দিয়া হয় ?**

জিলা পৰিষদৰ পৰা পোৱা সক্ষমতা নিৰ্মাণ পুঁজিৰ পৰা টি এছ আইক ধন দিয়া হয়। চাৰ্কুলাৰ যোগে এম অ পি আৰ (M O P R)ৰ দ্বাৰা টি এছ আইৰ আউট ছ'ৰ্ছিঙৰ খৰছ বহন কৰা হয়। টি এছ আইক সমৰ্থন কৰোতে হোৱা ব্যয় আনুষংগিক বাৰ্ষিক পৰিকল্পনা অনুসৰি একত্ৰিত কৰা হয়।

➲ **ৰাজ্যখনত টি এছ আইৰ কাৰ্যকলাপ কোনে নিৰীক্ষণ কৰে ?**

জিলা পৰিষদৰ চি ই অ'ৰ দ্বাৰা নিয়মীয়া হাৰত টি এছ আইৰ কাৰ্যকলাপ নিৰীক্ষণ কৰা হয়। তদুপৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত মহলে নিয়মীয়া হাৰত ৰাজ্যিক টি এছ আইৰ কাৰ্যকলাপ নিৰীক্ষণ কৰে।

# মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন (এমজিএনৰেগা)

## ১. এনৰেগা কাৰ্যসূচী

➲ **এনৰেগা কি ?**

এনৰেগাই ২০০৫ চনৰ ৭ ছেপ্তেম্বৰত জাননীযোগে প্ৰকাশ কৰা মহাত্মা গান্ধী গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আইন, ২০০৫ ক বুজায়। আইনখনৰ জনাদেশত প্ৰতিটো গ্ৰাম্য পৰিয়ালক প্ৰতি বিত্তীয় বছৰত কমেও ১০০ দিনৰ নিশ্চিত মজুৰী নিৰ্ভৰ নিয়োগৰ ব্যৱস্থা কৰে যাৰ জৰীয়তে প্ৰাপ্তবয়স্ক সদস্যই অপাৰদৰ্শী হস্তকৰ্ম কৰিব পাৰে।

➲ **এনৰেগাৰ কেতিয়া শুভাৰম্ভ কৰা হৈছিল ? এনৰেগাই অসমৰ সকলো জিলা / ব্লক আৰু গাঁৱক সামৰি লয়নে ?**

ভাৰতৰ ২০০ জিলাত ২০০৬ চনৰ ফেব্ৰুৱাৰীৰ ২ তাৰিখে এই আঁচনি আৰম্ভ কৰা হয়। সমান্তৰালভাৱে আন ১৩০ জিলাক সামৰে ২০০৭-০৮ চনত আৰু ২০০৮ চনৰ ১ এপ্ৰিলৰ পৰা এনৰেগা কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ সমগ্ৰ দেশকে সামৰা হয়। হয়, অসমত সকলো জিলা, ব্লক আৰু গাঁৱক গাঁও পঞ্চায়তৰ অধীনত এনৰেগাৰ দ্বাৰা সামৰা হৈছে।

➲ **এনৰেগা ৰাজনৈতিক প্ৰচাৰমুখী নে উন্নয়নমূলক কাৰ্যসূচী ?**

এনৰেগা হৈছে পৰিকল্পনা বিকেন্দ্ৰীকৰণ, সামাজিক নিৰাপত্তা আৰু নিয়োগ বৃদ্ধি কৰি জীৱিকাৰ সুৰক্ষা দিয়া, দাৰিদ্ৰ্যতা লাঘৱ, গাঁৱৰ পৰা নগৰলৈ প্ৰব্ৰজন ৰোধ কৰা, তিৰোতাৰ বৃহৎ অংশগ্ৰহণ বৃদ্ধি, সম্পত্তি সৃষ্টি ইত্যাদি লক্ষ্যৰে আগবঢ়া আৰ্থ-সামাজিক উন্নয়নমূলক কাৰ্যসূচী।

➲ **এনৰেগা কাৰ্যসূচী কোন কেন্দ্ৰীয় আৰু ৰাজ্যিক মন্ত্ৰালয়ে চোৱা-চিতা কৰে ?**

এনৰেগা হৈছে কেন্দ্ৰীয় পৃষ্ঠপোষকতা প্ৰাপ্ত ভাৰত চৰকাৰৰ গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়িত উন্নয়নমূলক আঁচনি। অসম ৰাজ্যত ইয়াক অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়িত কৰা হৈছে।

➲ **এনৰেগাৰ অধীনত কোনো লক্ষ্য প্ৰতিষ্ঠাৰ কথা আছেনে ?**

আছে। এনৰেগাক সফল কাৰ্যসূচীৰূপে প্ৰতিষ্ঠা কৰিবলৈ সাতটা বহল লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

ক) গ্ৰাম্য ভাৰতত বাস কৰা আটাইতকৈ দুৰ্বল শ্ৰেণীক সামাজিক সুৰক্ষা দিয়াৰ বাবে নিয়োগৰ সুযোগ-সুবিধাৰ ব্যৱস্থা কৰা হয়।

খ) স্থায়ী সম্পত্তি সৃষ্টি, জল সুৰক্ষাৰ উন্নতি, মাটি সংৰক্ষণ আৰু উচ্চ ভূমি উৎপাদকতাৰ যোগেদি দুখীয়াসকলৰ বাবে জীৱিকাৰ সুৰক্ষা সৃষ্টি কৰা।

গ) গ্ৰাম্য ভাৰতত খৰাং দূৰ কৰা আৰু বানপানী সমস্যা সমাধান কৰা।

ঘ) সামাজিকভাবে পিছপৰা বিশেষকৈ তিৰোতা, অনুসূচিত জাতি-জনজাতি (এছ টি)ৰ সংসদীয় আৰু অনুসূচিত অধিকাৰ ভিত্তিত সবলীকৰণ।

ঙ) দাৰিদ্ৰ্যতা বিৰোধী আৰু জীৱিকা সৃষ্টিৰ বিভিন্ন লক্ষ্যৰ যোগেদি বিকেন্দ্ৰীকৰণ, অংশীদাৰী পৰিকল্পনা শক্তিশালী কৰা।

চ) পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহ শক্তিশালী কৰি তৃণ-মূল পৰ্যায়ত গণতন্ত্ৰক ঘনীভূত কৰা।

ছ) প্ৰশাসনত স্বচ্ছতা আৰু দায়বদ্ধতাৰ প্ৰভাৰ বৃদ্ধি কৰা।

## ২. এনৰেগাৰ কাৰিকৰী কাৰ্যসূচী

➲ **এনৰেগা আঁচনি কোনে সৃষ্টি কৰে ?**

এনৰেগা আঁচনি গাঁও পঞ্চায়তৰ প্ৰতিনিধিয়ে কনিষ্ঠ অভিযন্তা, গ্ৰাম্য ৰোজগাৰ সহায়কৰ সহযোগিতাত প্ৰস্তুত কৰে।

➲ **এনৰেগা আঁচনি কেনেকৈ অনুমোদন জনোৱা হয় ?**

এনৰেগা আঁচনিবোৰ প্ৰাথমিকভাবে সভাৰ দ্বাৰা অনুমোদন জনোৱা হয় আৰু কাৰিকৰী আৰু প্ৰশাসনিক অনুমোদনৰ কাৰনে খণ্ড উন্নয়ন কাৰ্যালয়লৈ বিতং আলোচনা আৰু লিপিবদ্ধকৰণৰ বাবে দাখিল কৰা হয়। ব্লক পৰ্যায়ত অনুমোদিত হোৱাৰ পাছত জিলা পৰ্যায়ত আঁচনিখন ডি আৰ ডি এ ৰ প্ৰকল্প সঞ্চালকলৈ পৰৱৰ্তী অনুমোদনৰ বাবে পঠিওৱা হয়। এই কাৰ্যালয়ে আঁচনিবোৰ আলোচনা আৰু অনুমোদনৰ বাবে জিলা পৰিকল্পনা কমিটীৰ সৈতে আলোচনা কৰিবলৈ পঠিয়ায়। এবাৰ ডি পি চিয়ে আঁচনিখন অনুমোদনত চহী কৰিলে পূঁজি মঞ্জুৰ হৈ যায় আৰু কাম আৰম্ভ হয়।

➲ **এনৰেগা আঁচনিৰ কাৰণে কেনেকৈ বিত্তীয় পূঁজি গঠন কৰা হয় ?**

মঞ্জুৰি বাজেট আৰু সামগ্ৰী ব্যয় বাজেটৰ ৬০:৪০ অনুপাতৰ পৰিসীমাৰ ভিতৰত এনৰেগা আঁচনিৰ বাবে বিত্তীয় পূঁজি প্ৰস্তুত কৰা হয়। কনিষ্ঠ অভিযন্তাই যেনে- কাম সম্পূৰ্ণ কৰণ, নিয়োগৰ ব্যৱস্থা কৰিব পৰা পৰিয়ালৰ সংখ্যা, প্ৰয়োজনীয় জনমজুৰি,

সামান্য পৰিমাণৰ সামগ্ৰী ব্যয়, কোনো পাৰদৰ্শী শ্ৰমিকৰ প্ৰয়োজনীয়তা, কামৰ সময়ৰ ম্যাদ আদি কাৰিকৰী বিবেচনাসহ আঁচনিৰ বাৰ্ষিক পৰিকল্পনা প্ৰস্তুত কৰে।

➲ **এনৰেগাৰ ৰূপায়ণত কোন সংস্থাবোৰ (Agencies) জড়িত থাকে ?**

ডি পি চিত অনুমোদন বিচৰা, পুঁজি মঞ্জুৰী আৰু খণ্ড কাৰ্যালয়ত কাৰ্যসূচী বিষয়ালৈ সেই পুঁজি স্থানান্তৰ কৰা, সময়ে সময়ে নিৰীক্ষণ, অনলাইন অবগতকৰণ আদি কামত জিলা পৰ্যায়ত ডি আৰ ডি এ জড়িত থাকে। খণ্ড উন্নয়ন কাৰ্যালয় কাৰিকৰী অনুমোদন, ৰূপায়ণৰ বাবে জি পি একাউণ্টত পুঁজি গ্ৰহণ আৰু হস্তান্তৰৰ কাম আৰু এম আই এছ নিৰীক্ষণ, গাঁওসভাত একেবাৰে আৰম্ভণিৰে পৰা আঁচনিৰ প্ৰস্তুতকৰণ, অনুমোদন আৰু তথ্য লিপিবদ্ধকৰণত গাঁও পঞ্চায়ত জড়িত থাকে।

➲ **আমাৰ গাওঁ পঞ্চায়ত বা গাঁৱত এনৰেগা ৰূপায়িত হৈছে নে নাই মই কেনেকৈ জানিম ? কাক মই তথ্য বিচাৰি যোগাযোগ কৰিম ?**

দেশৰ সকলো গাওঁ পঞ্চায়ত আৰু গাঁৱত এনৰেগা ৰূপায়ণৰ বাবে ২০০৮ চনৰ ১ এপ্ৰিলত জনদেশ পাইছিল। তদুপৰি এনৰেগা কৰ্মৰ বিষয়ে অধিক তথ্যৰ সম্বন্ধে জব কাৰ্ড বিতৰণ, নিয়োগৰ ব্যৱস্থা ইত্যাদিৰ বাবে গাঁও পঞ্চায়ত কাৰ্যালয়ত যোগাযোগ কৰিব পাৰে।

## ৩. এনৰেগাৰ অধীনত কামৰ দাবী

➲ **এনৰেগাৰ অধীনত কেনেকৈ নিয়োগ সৃষ্টি হ'ব পাৰে ?**

এনৰেগা হৈছে চাহিদা ভিত্তিক কাৰ্যসূচী য'ত মজুৰি বিচৰা কৰ্মীৰ দাবীক লক্ষ্য কৰি প্ৰস্তুত কৰা হয়। ই মজুৰি নিয়োগৰ ক্ষেত্ৰত বৈধ নিশ্চয়তা দিয়ে। এনৰেগাৰ অধীনত ১০০ দিনৰ নিয়োগ পাবলৈ এনৰেগাৰ অধীনত স্বেচ্ছাসেৱকৰূপে জড়িত হ'বলৈ স্থানীয় গাঁও পঞ্চায়তৰ কাৰ্যালয়ত আবেদন জনাব লাগিব।

➲ **জব কাৰ্ড কি ? তাৰ বাবে কোনো পঞ্জীয়ন প্ৰক্ৰিয়া মানি চলা হয় নেকি ?**

এখন জব কাৰ্ড হৈছে এক গুৰুত্বপূৰ্ণ দলিল যিয়ে কৰ্মীৰ নিয়োগ অন্তৰ্ভূক্তিৰ পৰিচয় দাঙি ধৰে। এটা পৰিয়ালৰ প্ৰাপ্তবয়স্ক সদস্য সকলে অপাৰদৰ্শী কৰ্মীৰূপে কাম কৰিবলৈ বিচাৰিলে পঞ্জীকৰণৰ বাবে স্থানীয় গাঁও পঞ্চায়তত আবেদন জনাব লাগে। দৰ্খাস্তখনত সকলো প্ৰাপ্তবয়স্ক সদস্য, বয়সসহ নাম, লিংগ, এছচি /এছ টি স্থিতি, আৰ এছ বি ৱাই নম্বৰ, আধাৰ নম্বৰ, বি পি এল স্থিতি, বেংক /ডাকঘৰ একাউণ্ট নম্বৰ (যদি আছে) আদি বিতং তথ্য দিব লাগিব। এগৰাকী ব্যক্তিয়ে পঞ্চায়ত সচিব বা গ্ৰাম ৰোজগাৰ সহায়কৰ আগত ব্যক্তিগতভাৱে উপস্থিত হৈ সকলো তথ্যসহ পঞ্জীয়নৰ বাবে মৌখিক অনুৰোধ কৰিব পাৰে।

গাঁও পঞ্চায়তে ৫ বছৰৰ বাবে পৰিয়ালত বৈধ হোৱা পঞ্জীয়ন নম্বৰসহ পৰিয়ালৰ বাবে জব কাৰ্ড ১৫ দিনৰ ভিতৰত পৰিয়ালক পৰীক্ষা-নিৰীক্ষা কৰি প্ৰদান কৰে।

➲ **এনৰেগাৰ অধীনত মই কেনেকৈ নিয়োগ দাবী কৰিব পাৰো ? এনৰেগাৰ অধীনত নিয়োগৰ বাবে যুটীয়া দাবী হ'ব পাৰে নেকি ?**

এনৰেগাৰ অধীনত কামৰ দাবী কৰিবলৈ জি পিৰ পৰা বিনামূলীয়াকৈ পোৱা ছপা ফৰ্ম বা সাধাৰণ কাগজত গাঁও পঞ্চায়তৰ সভাপতি বা পি অ' (বি ডি অ')ক জনাই এখন দৰ্খাস্ত জমা দিব লাগিব। দৰ্খাস্তখনত তলত দিয়া বিতং তথ্য উল্লেখ থাকিব লাগিব- জব কাৰ্ড পঞ্জীয়ন নম্বৰ কোন তাৰিখৰ পৰা সংস্থান বিচাৰিছে, কিমান দিনৰ বাবে সংস্থান বিচাৰিছে আদি। যিটো বছৰৰ বাবে বিভিন্ন সময়ত সংস্থান বিচাৰিছে তাৰ বাবে মাত্ৰ এখন দৰ্খাস্ত দিলেই হ'ব।

কেইবাজনো আবেদনকাৰীয়ে, প্ৰতিগৰাকী জব কাৰ্ডধাৰীয়ে বিতং উল্লেখ কৰি যুটীয়া আবেদনো সংস্থানৰ বাবে দাখিল কৰিব পাৰে।

➲ **কৰ্ম প্ৰাপ্তীৰ দিনাংক ৰছীদ কি ?**

কৰ্ম প্ৰাপ্তীৰ দিনাংক ৰছীদ হৈছে প্ৰতিগৰাকী জব কাৰ্ডধাৰীকে গ্ৰাম্য ৰোজগাৰ সহায়কে জাৰি কৰা ৰছীদ। যেতিয়াই তেওঁলোকে সংস্থান বিচাৰি আবেদন দাখিল কৰে তেতিয়াই এই দিনাংক ৰছীদখন দিয়া হয়।

কৰ্ম আবেদনৰ দিনাংক ৰছীদ হৈছে আবেদনৰ ৰছীদক স্বীকৃত কৰা। আবেদন দাখিল কৰা তাৰিখৰ বা যি সংস্থান বিচৰা হৈছে সেই তাৰিখৰ পৰা ১৫ দিনৰ ভিতৰত সংস্থান সুনিশ্চিত কৰা হয় আৰু আবেদন কোড নম্বৰ দিয়া হয়।

➲ **কৰ্ম মঞ্জুৰী প্ৰ-পত্ৰ কি ? কৰ্ম মঞ্জুৰী প্ৰ-পত্ৰ কোনে দিয়াৰ ব্যৱস্থা কৰে ?**

কৰ্ম মঞ্জুৰী বা আবণ্টন প্ৰ-পত্ৰ (WAF) হৈছে এখন অৱগত পত্ৰ যাক কামত মকৰলৰ যোগেদি সংস্থান বিচৰা হিতাধিকাৰী অৰ্থাৎ জব কাৰ্ডধাৰীক দিয়া হয়। ডব্লিউ এ এফে (WAF) কামৰ সকলো তথ্য অৰ্থাৎ প্ৰকল্প (আঁচনি)ৰ নাম, স্থান, গাঁৱৰ নাম, কাৰ্যকৰীকৰণ সংস্থা, জি পি, ব্লক, জিলা আদিৰ কথা অৱগত কৰে।

যদি জব কাৰ্ডধাৰীজনে কাম বিচৰা পত্ৰ পোৱাৰ ১৫ দিনৰ ভিতৰত কৰ্মস্থলীত উপস্থিতিৰ খবৰ নকৰে তেন্তে তেওঁৰ নামত মঞ্জুৰ হোৱা কাম বাজেয়াপ্ত হোৱাৰ কথাও কৰ্ম মঞ্জুৰী প্ৰ-পত্ৰত প্ৰকাশ কৰে। ডবলিউ এ এফত ১৫ দিনৰ ভিতৰত বা প্ৰতি সপ্তাহত মজুৰিৰ ধনৰো কথা বিশেষভাবে উল্লেখ থাকে। ডবলিউ এ এফ জাৰি কৰে জি পি সভাপতি বা পি অ' (বি ডি অ') বা ডবলিউ এ এফ জাৰিৰ বাবে কৰ্তৃত্ব প্ৰাপ্ত কোনো ব্যক্তিয়ে।

- **এনৰেগা কৰ্মস্থলীৰ বাবে দূৰত্ব ব্যাসাৰ্ধৰ কোনো উচ্চ সীমা আছে নেকি ? দূৰত্ব ব্যাসাৰ্দ্ধৰ উচ্চসীমাৰ বাহিৰত ভ্ৰমণ কৰিলে কোনো ভ্ৰমণ বানচ পোৱা যায় নেকি ?**

  হয় আছে । এনৰেগাৰ বাবে সৰ্বোচ্চ দূৰত্ব সীমা হৈছে জব কাৰ্ডধাৰীৰ গাঁৱৰ পৰা কৰ্মস্থলীলৈ ৫ কিঃ মিঃ। যদি কোনো ক্ষেত্ৰত, জব কাৰ্ডধাৰীয়ে কৰ্মস্থলীৰ পৰা ৫ কিঃমিঃ তকৈ বেছি ভ্ৰমণ কৰিব লাগে তেন্তে তেওঁ ভ্ৰমণ ব্যয়ৰ জোৰা মাৰিবলৈ দৈনিক মজুৰিৰ ১০ শতাংশ অতিৰিক্ত লাভ কৰিব।

- **এনৰেগাৰ অধীনত এগৰাকী ব্যক্তিয়ে কেইঘণ্টা কাম কৰিব পাৰে ?**

  এনৰেগা কৰ্মস্থলীত ধাৰ্য কৰ্ম সময় হৈছে ১ ঘণ্টা আহাৰ বিৰতিসহ প্ৰতিদিনে ৮ ঘণ্টা। অৱশ্যে দুগ্ধপান কৰা শিশু থকা মহিলা কৰ্মীয়ে তেওঁলোকৰ শিশুক স্তনপান কৰাবলৈ কামৰ মাজতো আৱশ্যক হ'লে সময় ল'ব পাৰে।

## ৪. কৰ্মস্থলীত পোৱা সুবিধা

- **কৰ্মস্থলীত কোনো সঁজুলিধাৰক পোৱাৰ ব্যৱস্থা আছে নেকি? কোনে সঁজুলিধাৰক যোগান ধৰে আৰু তদাৰক কৰে ?**

  যদিও সামগ্ৰী ব্যয়ৰ বাবে আঁচনিয়ে প্ৰতি পৃথক বাজেট থাকে, কিন্তু সাধাৰণতে জব কাৰ্ডধাৰীসকলক নিজৰ সঁজুলি আনিবলৈ আৰু সেইবোৰ প্ৰয়োজনীয় চোকা বা ধাৰাল কৰিবলৈ লগা ধন জি পিৰ দ্বাৰা পৰিশোধ কৰা হয় বুলি জনোৱা হয়। এই ক্ষেত্ৰত কোনো সঁজুলিধাৰক পোৱা নাযায়। সামগ্ৰী ব্যয়ৰ পৰা জি পিয়ে এনৰেগা আইনৰ দ্বাৰা গৃহীত চৰ্তমতে সঁজুলিধাৰক সংগ্ৰহ কৰিব পাৰে। জি পি সচিব/জি আৰ এছ সতীৰ্থসকলে সঁজুলিধাৰকৰ বস্তুৰ তালিকা তদাৰক আৰু সেইবোৰ কৰ্মীসকলক যোগান ধৰিব পাৰে।

- **এনৰেগাৰ অধীনত কৰ্মস্থলীত কৰ্মীসকলৰ বাবে কি সা-সুবিধাৰ যোগান ধৰা হয় ?**

  এনৰেগা কৰ্মস্থলীত কৰ্মীসকলৰ বাবে তলত দিয়া সা-সুবিধাসমূহ যোগান ধৰাটো বাধ্যতামূলক, যেনে- প্ৰাথমিক চিকিৎসা সঁজুলি, খোৱা পানী, চালি, শিশুৰ বাবে বিনামূলীয়া খাদ্য সামগ্ৰীৰে সৈতে তত্বাৱধান কেন্দ্ৰ বা ওমলা ঘৰ, শিশুৰ যতন লওঁতা, দুগ্ধপান কৰোৱা মাতৃ কৰ্মীৰ বাবে আছুতীয়া ঠাই থকা, মহিলা আৰু পুৰুষৰ বাবে অস্থায়ী প্ৰসাৰগাৰ আদি।

# ৫. এনৰেগাৰ অধীনত বিভিন্ন ধৰণৰ কাম

➲ **এনৰেগাৰ অধীনত বিভিন্ন ধৰণৰ কি কি কাম মকৰল কৰা হয় ?**

এনৰেগাৰ অধীনত বহলভাৱে অনুমতিযোগ্য বিভিন্ন ধৰণৰ কামবোৰ হৈছে- জল সংৰক্ষণ আৰু জলকৰ্ষণ, বনানীকৰণ আৰু বৃক্ষৰোপণকে ধৰি খৰাং প্ৰতিৰোধ, অনু আৰু ক্ষুদ্ৰ জলসিঞ্চন সামৰি জলসিঞ্চন, উদ্যান শস্যৰোপণ, ভূমি উন্নয়ন, পুখুৰী খনন, বান নিয়ন্ত্ৰণ, গ্ৰাম্য সংযোগীকৰণ, কৃষি সম্পৰ্কিত কৰ্ম, পশুধন সম্পৰ্কীয় কৰ্ম, মীনপালন সম্পৰ্কীয় কৰ্ম, উপকূলৱৰ্তী কৰ্ম, গ্ৰাম্য খোৱা পানী সম্পৰ্কীয় কৰ্ম, গ্ৰাম্য অনাময় সম্পৰ্কিত কৰ্ম আদি।

➲ **বিশেষ দুৰ্বল শ্ৰেণীৰ বাবে কোনো কাৰ্য-কলাপ বিবেচনা কৰা হৈছে নেকি ?**

হৈছে। এনৰেগাই সমাজৰ দুৰ্বল শ্ৰেণীসমূহৰ প্ৰতি আলোকপাতেৰে বিশেষ মনোযোগ গুণা-গঁথা কৰে। কেইটামান বিশেষ দুৰ্বল শ্ৰেণী আৰু কৰ্ম তলত দিয়া ধৰণে শ্ৰেণীভূক্ত কৰা হৈছেঃ

ক) **অক্ষম ব্যক্তি ঃ** সহকৰ্মীৰূপে নিযুক্তি, খোৱা পানী ব্যৱস্থাৰ বাবে কৰ্মীৰ যোগান, কৰ্মস্থলীত শিশুৰ তত্ত্বাৱধান গৃহৰ ব্যৱস্থা কৰা।

খ) **আদিম দুৰ্বল জনজাতি শ্ৰেণী ঃ** অৰণ্য নিৰ্ভৰ জীৱিকা সৃষ্টি কৰিবলৈ উপযুক্ত কাৰ্যসূচীৰে জড়তামুক্তি গ্ৰহণ কৰিব লাগিব সংবেদনশীলতাৰে ।

গ) **সূচীহীন জনগোষ্ঠী আৰু অঘৰী জনগোষ্ঠী ঃ** সূচীহীন আৰু অঘৰী জনগোষ্ঠীবোৰ সংখ্যাত অতি নগণ্য। জিলা পৰিকল্পনা কমিটীয়ে পি অ'ক অনুমতি দি অনুসূচীহীন আৰু অঘৰী জনগোষ্ঠীৰ লোকসকলক জব কাৰ্ড জাৰি কৰি যিকোনো জি পিতে নিয়োগৰ অধিকাৰ দিয়াৰ নীতি গ্ৰহণ কৰিব পাৰে। ক'ৰ বেংকিঙৰ সুবিধা থকা বেংক শাখাত একাউণ্ট মজুৰিৰ ধন প্ৰদানৰ বাবে প্ৰয়োজন হয়।

ঘ) **বিশেষ আৰ্থিক অৱস্থাৰ তিৰোতা ঃ** বিধৱা তিৰোতা, পৰিয়ালহীন আৰু নিঠৰুৱা তিৰোতাসকল অতি দুৰ্বল শ্ৰেণীৰ হয় বাবে বিশেষ মনোযোগ দিয়াৰ প্ৰয়োজন হয়। জি পিয়ে এনে তিৰোতাসকলক চিনাক্ত কৰা উচিত আৰু তেওঁলোকক ১০০ দিনৰ কাম দিয়াৰ ব্যৱস্থা কৰা উচিত। দুগ্ধপোষ্য শিশু থকা মহিলাসকল আৰু গৰ্ভৱতী (প্ৰসৱৰ ৮ মাহ আগলৈকে আৰু প্ৰসৱৰ ১০ মাহ পাছত) মহিলাসকলক বিশেষ শ্ৰেণীৰ মৰ্যদা দিব লাগে। বিশেষকৈ যাক কম চেষ্টাৰ প্ৰয়োজন তেওঁলোকৰ ঘৰবোৰ চিনাক্ত হোৱা উচিত আৰু সেইবোৰ ৰূপায়ণ হোৱা উচিত।

ঙ) **৬৫ বছৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক ঃ** জ্যেষ্ঠ নাগৰিকসকল বিশেষকৈ সেইসকল যিসকলক তেওঁলোকৰ পৰিয়ালে যত্ন নলয় সেইসকলক এনৰেগাই ভৰণ-পোষণৰ সমৰ্থন জনায়। তেওঁলোককো বিশেষ শ্ৰেণীৰ মৰ্যাদা দিয়া উচিত। তেওঁলোকক প্ৰায়ে গুৰুত্বহীন বুলি ভবা হয় আৰু শ্ৰমিক শ্ৰেণীৰ পৰা বাদ দিয়া হয় তেওঁলোকৰ দুৰ্বল শাৰিৰীক ক্ষমতা থকা বুলি। বিশেষ জ্যেষ্ঠ নাগৰিক শ্ৰেণী গঠন হ'ব পাৰে আৰু কম শাৰিৰীক ক্ষমতা থকা সকলক চিনাক্ত কৰি বিশেষ কামৰ অনুমোদন দিয়া উচিত।

চ) **আভ্যন্তৰীণভাবে স্থানচ্যুত ব্যক্তি ঃ** যি বিলাক পৰিয়ালে সাম্প্ৰদায়িক /গোষ্ঠীগত/ জাতিগত হিংসাৰ কাৰণে গুচি গৈছে আৰু কাষৰীয়া জিলালৈ বা ব্লকলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য হৈছে তেওঁলোককো বিশেষ শ্ৰেণীৰ মৰ্যাদা দি এনৰেগাৰ অধীনত কামৰ ব্যৱস্থা কৰিব লাগে। ডি পি চিয়ে নিশ্চিতভাবে বিশেষ জবকাৰ্ড জাৰি কৰিব লাগে সেইসকলক আভ্যন্তৰীণভাবে স্থানচ্যুত ব্যক্তি বুলি চিনাক্ত কৰি। জবকাৰ্ডৰ ম্যাদ সেই পৰিয়ালবোৰে নিজৰ বাসস্থানলৈ গুচি নোযোৱালৈকে থাকিব লাগে।

## ৬. মজুৰিৰ পৰিমাণ

➲ **এনৰেগাৰ অধীনত হাতেৰে কাম কৰা এগৰাকী বনুৱাই কিমান পৰিমাণৰ মজুৰি পাব ?**

এনৰেগাৰ অধীনত এগৰাকী অপাৰদৰ্শী হাতেৰে কাম কৰা বনুৱাই প্ৰতিদিনে ১৫২ টকা পায়।

➲ **এনৰেগাৰ অধীনত কৰ্মী এগৰাকীৰ মজুৰি কেনেকৈ দিয়া হয় ?**

এনৰেগাৰ অধীনত এগৰাকী কৰ্মীৰ মজুৰি বেংক বা ডাকঘৰৰ যোগেদি দিয়া হয়। মজুৰিৰ সময় ৭ দিনৰ পৰা ১৫ দিনলৈকে হয়। কামৰ ১৫ দিনৰ ভিতৰত সঞ্চয়ৰূপত একেলগে মজুৰিৰ ধন কৰ্মীৰ নিজৰ একাউণ্টত জমা দিয়া হয়।

➲ **যদি মোৰ কোনো একাউণ্ট বেংক বা ডাকঘৰত নাথাকে তেতিয়া মই নাম জাৰি হোৱা জবকাৰ্ডৰ সহায়ত বেংক বা ডাকঘৰত একাউণ্ট খুলিব পাৰোনে ?**

পাৰে। যদি কৰ্মীৰ কোনো একাউণ্ট বেংক বা ডাকঘৰত নাথাকে তেন্তে এনাৰেগা জবকাৰ্ডৰ সহায়ত এটা একাউণ্ট খুলিব পাৰে।

➲ **কৰ্ম দিনৰ কাৰণে পাবলগীয়া মজুৰি পাওঁতে কিমান দিন সময় লাগে ?**

কৰা কামৰ মজুৰি ১০ দিনৰ ভিতৰত দিয়া হ'ব আৰু কামৰ ১৫ দিনতকৈ বেছি সময় দেৰী নহয়।

➲ **যদি উল্লেখিত সময়ছোৱাৰ ভিতৰত মোৰ প্ৰাপ্য মজুৰি নাপাওঁ তেন্তে পলমকৈ পোৱা মজুৰিৰ বাবে কিবা ক্ষতিপুৰণ পোৱা যায় নেকি ?**

পলমকৈ পোৱা মজুৰিৰ বাবদ কোনো ক্ষতিপুৰণ দিয়া নহয়, কিন্তু কামৰ বাবে সদায় প্ৰতিশ্ৰুতিৰ নিশ্চয়তা প্ৰদান কৰা হয়।

➲ **পাৰদৰ্শী বা অপাৰদৰ্শী বনুৱাৰ মজুৰিৰ কোনো পাৰ্থক্য আছে নেকি ?**

আছে, এনৰেগা আঁচনিত বনুৱাৰ দুটা শ্ৰেণী আছে। পাৰদৰ্শী বনুৱা আৰু অপাৰদৰ্শী বনুৱা। অপাৰদৰ্শী বনুৱাসকল হৈছে সাধাৰণ কৰ্মী, যি সকলো আঁচনিতে নিয়োজিত থাকে। এনৰেগাৰ অধীনত কাম কৰা যিকোনো জবকাৰ্ড কৰ্মীক অপাৰদৰ্শী বনুৱাৰূপে বিবেচনা কৰা হয়। আনহাতে কিছুমান এনেকুৱা কাম আছে য'ত পাৰদৰ্শী বিশেষজ্ঞৰ প্ৰয়োজন হয় আৰু তেনে কাম সম্পূৰ্ণ কৰিবলৈ কম বনুৱা নিয়োগ কৰা হয়। পাৰদৰ্শী বনুৱা জব কাৰ্ডধাৰী হোৱাৰ প্ৰয়োজন নাথাকে। নিয়োগ কৰা পাৰদৰ্শী বনুৱাক সামগ্ৰী বাজেটৰ ধনৰ পৰা মজুৰি দিয়া হয়। পাৰদৰ্শী বনুৱাক সকলো ধৰণৰ আঁচনিতে নিয়োগ কৰা হয়।

➲ **পাৰদৰ্শী বনুৱাৰ সিদ্ধান্ত কোনে লয় ? পাৰদৰ্শী বনুৱাৰ মজুৰিৰ হাৰ কিমান ?**

কাৰিকৰী কমিটী (কনিষ্ঠ অভিযন্তা, জি পি সচিব, জি পি সভাপতি, বি ডি অ')য়ে আঁচনি প্ৰস্তুতিৰ সময়ছোৱাত পাৰদৰ্শী শ্ৰমিকৰ প্ৰয়োজনীয়তাৰ কথা হিচাপ কৰে। অৱশ্যে জিলা পৰ্যায়ত ডি আৰ ডি এৰ দ্বাৰা পাৰদৰ্শী বনুৱাৰ মজুৰিৰ হাৰ নিৰ্ধাৰিত কৰা থাকে বনুৱাৰ সংখ্যা, চৰ্ত, কামৰ মান ইত্যাদিৰ ওপৰত নিৰ্ভৰ কৰি।

➲ **নিবনুৱা ক্ষতিপুৰণ কি ?**

নিবনুৱা ক্ষতিপুৰণ হৈছে এনে এক ক্ষতিপুৰণ যাক ৰাজ্য চৰকাৰে এনৰেগাৰ অধীনত সেইজনক দিয়ে, যিয়ে এটা বিত্তীয় বৰ্ষত ১০০ দিনৰ নিয়োগ নিশ্চিতি পোৱাৰ পাছতো ১০০ দিনৰ কাম পোৱা নাছিল। এজন কৰ্মী যিয়ে এবছৰত ১০০ দিনৰ ভিতৰত যিমান দিন কৰ্মসংস্থান নাপায় সিমান দিনৰ ক্ষতিপুৰণ এনৰেগা আইনৰ নিয়োগ বীমাৰ অধীনত ৰাজ্যিক চৰকাৰে হিচাপ কৰি সেই বনুৱাজনক দিয়ে। প্ৰতিনিধি আৰু অভিজ্ঞ ব্যক্তিৰ দ্বাৰা সকলো ব্লকতে সামাজিক হিচাপ পৰীক্ষণ গোট (Social Audit unit) গঠন কৰাটো বাধ্যতামূলক। সামাজিক হিচাপ পৰীক্ষণৰ কালছোৱাত ধনৰ মূল্যায়ন সহজসাধ্য কৰিবলৈ সামাজিক হিচাপ পৰীক্ষণ গোটে গুণগত নিৰীক্ষণ কৰে।

## ৭. হিচাপ পৰীক্ষণ আৰু নিৰীক্ষণ

➲ **সামাজিক হিচাপ পৰীক্ষন কি ?**

সামাজিক হিচাপ পৰীক্ষন হৈছে এনৰেগাৰ অধীনৰ স্বচ্ছতা নিশ্চিতকৰণ,

যোগদান, পৰামৰ্শদান আৰু দায়বদ্ধতাৰ কাৰ্যকৰী উপায়। সামাজিক হিচাপ পৰীক্ষনে হিচাপ-নিকাচৰ শংখলাৰদ্ধতাৰ প্ৰয়োজনীয়তাৰ সৈতে নিৰীক্ষন আৰু ৰাইজৰ অংশগ্ৰহণক যুক্ত কৰে ।

সামাজিক হিচাপ পৰীক্ষনৰ মূল উদ্দেশ্যে হৈছে প্ৰকল্পৰ ৰূপায়ন, আইন আৰু পলিছীত ৰাইজৰ দায়বদ্ধতা নিশ্চিত কৰা। সামাজিক হিচাপ পৰীক্ষন প্ৰক্ৰিয়া দোষ খোচৰাটো নহয়, স্বৰূপ উন্মোচন প্ৰক্ৰিয়াহে।

➲ **এনৰেগা কাৰ্য্যসূচীৰ অধীনত কোনো সামাজিক হিচাপ পৰীক্ষন প্ৰক্ৰিয়া জড়িত থাকেনে ?**

মহাত্মা গান্ধী এনৰেগা হৈছে এক সৃজনশীল আঁচনি যে ইয়াৰ ৰাজহুৱা অবিৰত তদাৰকী উপায় হিচাপে আনুষ্ঠানিক 'সামাজিক হিচাপ পৰীক্ষন' ব্যৱস্থা আছে। এনৰেগাৰ অধীনত 'সামাজিক হিচাপ পৰীক্ষন' হিচাপ পৰীক্ষনে তলত উল্লেখ কৰা ধৰণে মাত্ৰা লাভ কৰে ঃ অবিৰত আৰু কাৰ্যকৰী প্ৰক্ৰিয়া, ৰূপায়নৰ বিভিন্ন স্তৰত কামৰ পৰিমান আৰু গুণাগুণ পৰীক্ষন আৰু অনুসন্ধানত ৰাজহুৱা অংশগ্ৰহন আৰু ছমাহৰ ভিতৰত এবাৰ প্ৰতিখন গাঁও পঞ্চায়তে এনে প্ৰক্ৰিয়া পৰিচালনা কৰে, সকলো দিশতে এক বাধ্যতামূলক সমীক্ষা জড়িত থাকে।

➲ **এনৰেগাৰ অধীনত কোনে সামাজিক হিচাপ পৰীক্ষন পৰিচালনা কৰে ?**

এনৰেগাৰ অধীনত সামাজিক হিচাপ পৰীক্ষন পৰিচালনা কৰিবলৈ এনৰেগা কাৰ্যসূচীৰ কোনো ৰূপায়নৰ সৈতে পোন পটীয়াকৈ জড়িত নথকা সামুহিক প্ৰতিনিধি আৰু অভিজ্ঞ ব্যক্তিৰদ্বাৰা সকলো ব্লকতে সামাজিক হিচাপ পৰীক্ষন গোট (Social Audt Unit) গঠন কৰাটো বাধ্যতামূলক। সামাজিক হিচাপ পৰীক্ষণৰ কালছোৱাত ধনৰ মূল্যায়ন সহজসাধ্য কৰিবলৈ সামাজিক হিচাপ পৰীক্ষন গোটে গুণগত নিৰীক্ষন কৰে।

➲ **সামাজিক হিচাপ পৰীক্ষণ কেনেকৈ পৰিচালনা কৰে ?**

সামাজিক হিচাপ পৰীক্ষণ প্ৰক্ৰিয়া পৰিচালনা কৰিবলৈ গাঁওসভাই সত্যাসত্য নিৰূপণৰ প্ৰক্ৰিয়াৰ সন্ধান আৰু লগতে স্বচ্ছতা আৰু দায়বদ্ধতা, অধিকাৰৰ পৰিপূৰ্ণ সন্তুষ্টি আৰু বনুৱাসকলৰ অধিকাৰ পূঁজিৰ উপযুক্ত ব্যৱহাৰৰ সংকলনৰ সমীক্ষা কৰে।

সভাৰ আৰম্ভণিতে পূৰ্বৰ সামাজিক হিচাপ পৰীক্ষণৰ ওপৰত লোৱা পদক্ষেপৰ প্ৰতিবেদন পঢ়ি লোৱাটো জৰুৰী। সিদ্ধান্ত আৰু প্ৰস্তাৱৰ ভোটদান আৰু মতবিৰোধ থকা প্ৰস্তাৱ মিনিটৰ ভিতৰতে বাণীবদ্ধ কৰা হয়। গাঁওসভাৰ সামাজিক হিচাপ পৰীক্ষণত আঁচনি ৰূপায়ণৰ বাবে দায়বদ্ধ থকা সকলো বিষয়া আৰু পি আৰ আই কাৰ্যপালিকা উপস্থিত থকাটো বাধ্যতামূলক।

সামাজিক হিচাপ পৰীক্ষণ দলে ঘৰে ঘৰে গৈ হিতাধিকাৰীসকলক লগ কৰাৰ উপৰিও প্ৰকল্পস্থলীত শাৰিৰীকভাবে উপস্থিত হৈ সম্পূৰ্ণ হোৱা প্ৰকল্পৰ লগত ৰূপায়ণ কৰা সংস্থাসমূহৰ সংৰক্ষিত তথ্যৰ মিল আছে নে নাই তাৰ সত্য নিৰূপণ কৰে। সামাজিক হিচাপ পৰীক্ষণ প্ৰতিবেদন স্থানীয় ভাষাত প্ৰস্তুত কৰা হয় আৰু সেই প্ৰতিবেদন কমেও সাতদিনৰ কাৰণে গাঁও পঞ্চায়তৰ জাননী ফলকত প্ৰদৰ্শন কৰিব লাগে।

➲ **এনৰেগা কাৰ্যসূচীত অনুসন্ধানৰ কি পদ্ধতি আছে?**

এক তিনি তৰপীয়া অনুসন্ধান পদ্ধতিৰে আইনখনৰ ৰূপায়ণত হোৱা অনিয়ম ধৰা পেলোৱা হয় আৰু দৃষ্টি গোচৰলৈ অহা অনিয়মবোৰ অনুসৰণ কৰি দেৰিকৈ শাস্তি প্ৰদান নিশ্চিত কৰা হয় আৰু আঁচনি ৰূপায়ণত হোৱা পুঁজিৰ অব্যৱহাৰৰ ফলত আত্মসাৎ হোৱা ধন উদ্ধাৰ কৰা হয়। ৰাজ্যত থকা অৰ্থনৈতিক অপৰাধ অনুসন্ধান ব্যৱস্থাত থাকে- ৰাজ্যিক পৰ্যায়ৰ অনুসন্ধান কৰি জিলাভিত্তিক অনুসন্ধান কোষ, ব্লক/জি পিত অনুসন্ধান আৰু নিৰীক্ষণ কমিটী। তাৰ উপৰিও ৰাষ্ট্ৰীয় পৰ্যায়ত তেনে অনুসন্ধান তথা নিৰীক্ষণ গোট গঠন কৰা ব্যৱস্থা আছে।

## ৮. অভিযোগৰ সমাধান

➲ **যদি মোৰ কাম বা মজুৰি প্ৰাপ্তিৰ ক্ষেত্ৰত কোনো অভিযোগ কৰিবলগীয়া হয়, কাৰ ওচৰত মই অভিযোগ কৰিব পাৰিম?**

কাৰ্যসূচী বিষয়া (বি ডি অ') বা জিলা কাৰ্যসূচী সমন্বয়ৰক্ষী (District Programme Cor-ordinator)ৰ ওচৰত অভিযোগ পঞ্জীয়ন কৰিবলৈ কোনো অভিযোগকাৰীয়ে অভিযোগ প্ৰতিকাৰ ব্যৱস্থাৰ বাবে কেইবাধৰণৰ উপায় গ্ৰহণ কৰিব পাৰে।

➲ **মই কেনেকৈ মোৰ অভিযোগ পঞ্জীয়ন কৰিম?**

লিখিত আবেদন বা বি ডি অ' কাৰ্যালয় দৰ্শন কৰি ড্ৰ'প বক্সত অভিযোগ পত্ৰ জমা দি বা হেল্পলাইনৰ যোগেদি টেলিফোন কৰি এক অভিযোগ পঞ্জীয়ন কৰিব পাৰে। এনে সকলো অভিযোগ দিনাংক ৰছীদসহ গ্ৰহণ কৰা হয়। অভিযোগ কেৱল অভিযোগ পঞ্জীয়নৰ যোগেদি হ'ব লাগিব আৰু তাৰ সমাধান নিৰ্দিষ্ট সময়ৰ ভিতৰত হ'ব লাগিব।

➲ **মোৰ অভিযোগৰ সমাধানৰ বিষয়ে মই জানিব পাৰিম নে?**

যদি কোনো ব্যক্তিৰ অভিযোগ তেওঁৰ কাম আবণ্টন বা মজুৰি সংক্ৰান্তীয় ব্যক্তিগত অভিযোগ হয়, তেওঁ/তাই নিজৰ অভিযোগৰ অমীমাংসিত/মীমাংসিত স্থিতিৰ বিষয়ে জানিব লাগিব। অভিযোগ স্বীকৃতিপত্ৰসহ পঞ্জীয়নকৃত ডাকযোগে লিখিত

ভাবে জনাব লাগিব। ইয়াত অভিযোগকাৰীয়ে তেওঁৰ সন্তুষ্টি বা অসন্তুষ্টি লিপিবদ্ধ কৰিবলৈ এখন ফিডবেক প্ৰ-পত্ৰ থাকে।

তথ্য সম্বলিত আবেদনৰ সুবিধা থাকে আৰু একেই প্ৰক্ৰিয়া সংযোজন কৰা থাকে। ব্যৱস্থা গ্ৰহণ প্ৰতিবেদন পোৱাৰ এমাহৰ ভিতৰত যদি কোনো যোগাযোগৰ তথ্য গ্ৰহণ কৰা নহয়, তেন্তে ফাইল বন্ধ কৰি দিয়া হয়।

এনৰেগাৰ অধীনত আবেদন কৰাৰো এক ব্যৱস্থা আছে। কাৰ্যসূচী বিষয়াৰ ওচৰত গাঁওপঞ্চায়তৰ বিৰুদ্ধে অভিযোগ দিব লাগিব ; কাৰ্যসূচী বিষয়াৰ বিৰুদ্ধে জিলা কাৰ্যসূচী সমন্বয়ৰক্ষীৰ ওচৰত অভিযোগ দিব লাগিব, জিলা কাৰ্যসূচী বিষয়াৰ বিৰুদ্ধে অভিযোগ দিব লাগিলে ৰাজ্যিক চৰকাৰৰ দ্বাৰা কৰ্তৃত্ব প্ৰাপ্ত উপযুক্ত স্থানত অভিযোগ দিব লাগিব। ৰাজ্যিক পৰ্যায়ৰ এগৰাকী ভাৰপাপ্ত প্ৰতিনিধিয়ে অভিযোগ প্ৰতিকাৰৰ বিষয়ে নিৰীক্ষণ কৰে।

## ৯. ৰাইজিৰ সুবিধাৰ বাবে

- **এনৰেগা অনলাইনৰ গাইডলাইনৰ শেহতীয়া সংস্কৰণ মই ক'ত পাব পাৰিম ?**

  এনৰেগা গাইড লাইনৰ শেহতীয়া সংস্কৰণ উপলব্ধ হোৱা অনলাইন ৱেবছাইটটো হৈছে www.mgnrega.nic.in

- **এনৰেগাৰ কায়িক আৰু বিত্তীয় বিকাশৰ অধিক তথ্য মই ক'ত পাম ?**

  ব্লক আৰু জিলাসমূহৰ তথ্য পি অ' আৰু ডি পি চি কাৰ্যালয়ে কায়িক আৰু বিত্তীয় তথ্য পোৱাৰ ব্যৱস্থা কৰে। তদুপৰি এনৰেগা ৱেবছাইট যোগেও তথ্য গ্ৰহণ কৰিব পাৰি।

- **মোৰ জবকাৰ্ড আৰু কাম আবণ্টনৰ স্থিতি মই কাৰ্যালয় ৱেবছাইটত চাব পাৰিম নে ?**

  হয় পাৰিব। যদি আপোনাৰ কম্পিউটাৰ আৰু ইন্টাৰনেট ব্যৱস্থাৰ জ্ঞান আছে, তেন্তে আপুনি এনৰেগা ৱেবছাইটত আপোনাৰ জবকাৰ্ড আৰু কাম আবণ্টনৰ স্থিতি জানিব পাৰিব।

# ৰাষ্ট্ৰীয় সামাজিক সহযোগিতা আঁচনি (NSAP)

➲ **এন এচ এ পিয়ে কাক প্ৰতিনিধিত্ব কৰে আৰু কেতিয়া ইয়াৰ শুভাৰম্ভ কৰা হৈছিল ?**

এন এচ এ পিয়ে প্ৰতিনিধিত্ব কৰে ৰাষ্ট্ৰীয় সামাজিক সহযোগিতা আঁচনি (নেশ্বনেল চ'ছিয়েল এচিছটেন্স প্ৰ'গ্ৰাম)ক। এন এচ এ পি শুভাৰম্ভ কৰা হৈছিল ১৯৯৫ চনৰ ১৫ আগষ্টত।

➲ **এন এচ এ পিৰ স্থিতিৰ যুক্তিযুক্ততা কি ?**

ৰাষ্ট্ৰীয় সামাজিক সহযোগিতা আঁচনিয়ে সংবিধানৰ ৪১ আৰু ৪২ অনুচ্ছেদৰ নিৰ্দেশনা নীতিমতে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ বিষয়ত সামূহিক দায়বদ্ধতা সম্পূৰ্ণ কৰা দিশত তাৎপৰ্যপূৰ্ণ পদক্ষেপক প্ৰতিনিধিত্ব কৰে। বিশেষকৈ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৪১ মতে ৰাজ্যক আৰ্থিক সক্ষমতা আৰু উন্নয়নৰ সীমাবদ্ধতাৰ ভিতৰত নিবনুৱা সমস্য, বাৰ্ধক্য, দুৰ্বলতা আৰু অক্ষমতা আৰু অসংৰক্ষিত বিষয়ৰ ক্ষেত্ৰত নাগৰিকক ৰাজহুৱা সহায়তাৰ ব্যৱস্থা কৰাক নিৰ্দেশ কৰে।

➲ **এন এছ এ পিৰ উদ্দেশ্য কি ?**

ইয়ে দুখীয়া পৰিয়ালক বৃদ্ধ বয়স, উপাৰ্জনকাৰীৰ মৃত্যু আৰু প্ৰসুতিৰ প্ৰসৱৰ সময়ত সামাজিক সুৰক্ষা লাভত সহায়ৰ ব্যৱস্থা কৰে। এন এছ এ পিৰ লক্ষ্য হৈছে ন্যুনতম ৰাষ্ট্ৰীয় মান নিশ্চিত কৰা, লগতে ৰাজ্যই সম্প্ৰতি লাভ কৰা সুবিধা বা ভৱিষতেও লাভ কৰিব লগা সুবিধা সুনিশ্চিত কৰা। তদুপৰি ইয়ে বাধা অবিহনে ৰাজ্যৰ সকলোতে হিতাধিকাৰীসকলে সমহাৰত লাভ কৰা সামাজিক সুৰক্ষা সুনিশ্চিত কৰে।

➲ **এন এছ এ পিৰ সা-সুবিধা সমূহ কি কি ?**

১৯৯৫ চনত এন এচ এ পি য়ে তিনিখন আঁচনি গ্ৰহণ কৰিছে ঃ ১) ৰাষ্ট্ৰীয় বৃদ্ধ পেন্সন আঁচনি (NOAPS), ২) ৰাষ্ট্ৰীয় পৰিয়াল হিতকাৰী আঁচনি (NFBS) আৰু ৩) ৰাষ্ট্ৰীয় প্ৰসূতি হিতকাৰী আঁচনি (NMBS)। ২০০০ চনৰ ১ এপ্ৰিল তাৰিখে অন্নপূৰ্ণা আঁচনি নামেৰে এখন নতুন আঁচনি শুভাৰম্ভ কৰা হয়। এই আঁচনিৰ লক্ষ্য হৈছে সেইসকল জ্যেষ্ঠ নাগৰিকৰ খাদ্য সুৰক্ষাৰ চাহিদা পূৰণৰ ব্যৱস্থা কৰা যিয়ে NOAPSৰ অধীনত অন্তৰ্ভুক্ত নোহোৱাকৈ আছে।

২০০৯ চনৰ ফেব্ৰুৱাৰী মাহত, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধৱা পেঞ্চন আঁচনি (IGNWPS) আৰু ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় অক্ষমতা পেঞ্চন আঁচনি (IGNDPS) আঁচনি আগবঢ়োৱা হয়।

সম্প্ৰতি, এন এছ এ পিয়ে পাঁচখন আঁচনি সামৰিছেঃ ১) ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনি (IGNOAPS), ২) ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধবা পেঞ্চন আঁচনি (IGNWPS), ৩) ইন্দিৰা গান্দী ৰাষ্ট্ৰীয় অক্ষমতা পেঞ্চন আঁচনি (IGNDPS), ৪) ৰাষ্ট্ৰীয় পৰিয়ালহিতকাৰী আঁচনি (NFBC) আৰু ৫) অন্নপূৰ্ণা।

➲ **এন এছ এপি কোনে ৰূপায়ন কৰে?**

এন এছ এ পিৰ সকলো উপাংশতে প্ৰযোজ্য সাধাৰন চৰ্তানুসৰি সকলো ৰাজ্য-স্বায়ত্ব শাসিত অঞ্চলতে প্ৰযোজ্য হয়। সেইদৰে বিশেষ চৰ্তত প্ৰতিটো উপাংশতে প্ৰযোজ্য হয়। এন এছ এ পি আঁচনি অসমত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়িত হয়।

➲ **এন এছ এ পি ৰ অধীনত প্ৰাথমিক যোগ্যতাৰ নিৰ্ণায়ক মান কি?**

ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ নিৰ্ধাৰিত নিৰ্ণায়ক মান অনুসৰি এন এছ এ পিৰ অধীনত সুবিধা পাবলৈ আবেদনকাৰী দৰিদ্ৰ্য সীমাৰেখাৰ তলৰ (BPL) পৰিয়ালৰ হ'ব লাগিব।

➲ **গ্ৰাম্য অঞ্চলত হিতাধিকাৰীসকলক কোনে চিনাক্ত কৰে?**

সংশোধিত যোগ্যতা নিৰ্ণায়ক মান মতে নতুন হিতাধিকাৰীসকলক, ২০০২ চনৰ লোকপিয়ল মতে গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰালয়ৰ দ্বাৰা জাৰী কৰা নিৰ্দেশনা মতে খণ্ড উন্নয়ন কাৰ্যালয়, জিলা আৰু ৰাজ্য চৰকাৰৰ পৰা লাভ কৰা সহযোগেৰে ষষ্ঠ অনুসূচীৰ অধীনৰ পঞ্চায়ত অঞ্চলৰ গাঁও পঞ্চায়ত আৰু ভি চি ডি চি (Village Council Development Committee) ৰ দ্বাৰা প্ৰস্তুত কৰা বি পি এল তালিকাৰ পৰা চিনাক্ত কৰা হয়।

➲ **নগৰাঞ্চলত হিতাধিকাৰীসকলক কেনেকৈ বাছনি কৰা হয়?**

নগৰ গৃহ নিৰ্মান আৰু দৰিদ্ৰ নিৰ্মূল মন্ত্ৰ্যালয়ৰ দৰিদ্ৰ নিৰ্মূল কাৰ্যসূচীৰ ক্ষেত্ৰত প্ৰস্তুত কৰা বি পি এল তালিকা মতে যোগ্য হিতাধিকাৰীসকলক চিনাক্ত কৰি উলিওৱা হয়।

➲ **সুবিধা লাভ কৰি থকা হিতাধিকাৰীসকলৰ কি স্থিতি হ'ব, যিসকলৰ নাম বি পি এল তালিকাত নাই।**

বি পি এল তালিকাত তেওঁলোকৰ নাম নাথাকিলেও বৃদ্ধ বয়সৰ নিৰ্ণায়ক মান মতে

কোনো বাধা নোহোৱাকৈ বৰ্তমানৰ দৰেই তেওঁলোকে অবিৰামভাবে পেঞ্চন লাভ কৰি থাকিব।

➲ **IGNOAPS ৰ অধীনত পেঞ্চন লাভ কৰাৰ যোগ্যতা কি ?**

ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনি (IGNOAPS) ৰ অধীনত যোগ্যতা হৈছেঃ

➢ আবেদনকাৰীৰ বয়স (পুৰুষ বা মহিলা) ৬০ বছৰ বা তাৰ উৰ্দ্ধত হ'ব লাগিব।

➢ আবেদনকাৰী ভাৰত চৰকাৰে নিৰ্ধাৰণ কৰা নিৰ্ণায়ক মান অনুসৰি দৰিদ্ৰৰেখাৰ তলত বাস কৰা পৰিয়াল হ'ব লাগিব।

➲ **পূৰ্বৰ ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনি (NOAPS) ৰ পৰা IGNOAPS কেনেকৈ পৃথক ?**

NOAPSৰ অধীনত, বৃদ্ধ পেঞ্চন যি সকলৰ বয়স ৬৫ বছৰ বা তাতোকৈ বেছি আৰু যি সকল অভাৱগ্ৰস্থ অৰ্থাৎ সামান্য আৰ্জনশীল বা নিয়মীয়া উপাৰ্জনৰ ব্যৱস্থা নাই। ৰাষ্ট্ৰীয়া বৃদ্ধ পেঞ্চন আঁচনি IGNOAPS ৰূপে নতুন নামকৰণ কৰা হৈছে আৰু আনুষ্ঠানিকভাৱে ২০০৭ চনৰ ১৯ নৱেম্বৰত শুভাৰম্ভ কৰা হৈছে। সম্প্ৰতি IGNOAPS ৰ অধীনত পেঞ্চন যিসকলৰ বয়স ৬০ বছৰ বা তাতোকৈ বেছি হৈছে আৰু যিসকল কেৱল অভাৱ গ্ৰস্থৰ পৰিবৰ্তে দৰিদ্ৰৰেখাৰ তলৰ পৰিয়াল, সেইসকললৈ আগবঢ়োৱা হয়।

➲ **ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনিৰ অধীনত কিমান পেঞ্চন দিয়া হয় ? এটা পৰিয়ালত কেৱল এজন ব্যক্তিতকৈ অধিক ব্যক্তিক পেঞ্চন দিয়াত বাধা আছে নেকি ?**

কেন্দ্ৰীয় চৰকাৰে ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনিৰ (IGNOAPS) অধীনত২০০ টকা আগবঢ়াব আৰু ৰাজ্যিক চৰকাৰে ৭৯ বছৰলৈকে হিতাধিকাৰীয়ে প্ৰতি ৫০ টকা আৰু ৮০ বছৰ আৰু তাৰ উৰ্দ্ধত কেন্দ্ৰীয় চৰকাৰে ৫০০ টকা আৰু ৰাজ্যিক চৰকাৰে ৫০ টকা আগবঢ়ায়। সম্প্ৰতি অসমৰ যিকোনো ঠাইত বৃদ্ধ পেঞ্চন হিতাধিকাৰীয়ে ২৫০ টকাৰ পৰা ৫৫০ টকা লাভ কৰে। এটা বিপিএল পৰিয়ালৰ ৬০ বছৰীয়া সকলোৱে বৃদ্ধ পেঞ্চনৰ বাবে যোগ্য হ'ব পাৰে। গতিকে এটা পৰিয়ালৰ পৰা এজনতকৈ অধিক ব্যক্তিক দিয়া হ'ব নে নাই সেয়া নিৰ্ভৰ কৰিব পৰিয়ালৰ প্ৰয়োজনীয়তা আৰু ষষ্ঠ অনুসুচীৰ অধীনত পঞ্চায়ত অঞ্চলৰ বা ভিচি ডিচি গাঁওপঞ্চায়তৰ দ্বাৰা হিতাধিকাৰী বাচনিৰ ওপৰত নিৰ্ভৰ কৰিব।

➲ **IGNWPSO ৰ অধীনত পেঞ্চন লাভ কৰাৰ যোগ্যতা কি ?**

ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধবা পেঞ্চন আঁচনি (IGNWPSO) ৰ অধীনত যোগ্যতা নিৰ্ণায়ক মান হৈছে আবেদনকাৰী বিধৱাগৰাকীৰ বয়স ৪০ ৰ পৰা ৭৯ বছৰৰ ভিতৰত

হ’ব লাগিব। আবেদনকাৰী ভাৰত চৰকাৰৰ নিৰ্দ্ধাৰিত নিৰ্ণায়ক মান অনুসৰি দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল হ’ব লাগিব। ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধবা পেঞ্চন আঁচনি (IGNWPSO) আনুষ্ঠানিক ভাৱে শুভাৰম্ভ কৰা হয় ২০০৯ চনৰ ফেব্ৰুৱাৰী মাহত।

➲ **ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধবা পেঞ্চন আঁচনিৰ অধীনত পেঞ্চনৰ পৰিমান কিমান ?**

ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিধবা পেঞ্চন আঁচনিৰ অধীনত প্ৰাপ্ত পেঞ্চনৰ ধনৰ পৰিমান হৈছে অসমত প্ৰতিমাহে ৩০০ টকা (২০১২ চনৰ অক্টোবৰ মাহৰ পৰা কাৰ্যকৰী)। ২০১২ চনৰ অক্টোবৰৰ আগত প্ৰতিগৰাকী হিতাধিকাৰীয়ে মাহে প্ৰতি ২০০ টকা লাভ কৰিছিল।

➲ **IGNDPS ৰ অধীনত পেঞ্চন লাভ কৰাৰ যোগ্যতা কি ?**

ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় সক্ষমতা পেঞ্চন আঁচনিৰ অধীনত নিৰ্ণায়ক যোগ্যতা হৈছে ঃ আবেদন কাৰীৰ বয়স ১৮ ৰ পৰা ৭৯ বছৰৰ ভিতৰত হ’ব লাগিব।

- ➢ আবেদনকাৰী ৩০ শতাংশ বহুস্তৰীয় অক্ষমতাত ভোগা হ’ব লাগিব।
- ➢ ভাৰত চৰকাৰৰ অনুমোদিত নিৰ্ণায়ক মান অনুসৰি দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ হ’ব লাগিব।
- ➢ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় অক্ষমতা পেঞ্চন আঁচনি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয় ২০০৯ চনৰ ফেব্ৰুৱাৰী মাহত।

এতিয়া ২০১২ চনৰ অক্টোবৰ মাহৰ পৰা ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় অক্ষমতা পেঞ্চন আঁচনি (IGNDPS) ৰ অধীনত মাহে প্ৰতি ৩০০ টকা দিয়া হয়। ২০১২ চনৰ অক্টোবৰৰ আগতে হিতাধিকাৰীয়ে মাহে প্ৰতি ২০০ টকা লাভ কৰিছিল।

➲ **ৰাষ্ট্ৰীয় পৰিয়াল হিতকাৰী আঁচনিখন কি ?**

ৰাষ্ট্ৰীয় পৰিয়াল হিতকাৰী আঁচনিখন (NFBS) হৈছে ৰাষ্ট্ৰীয় সামাজিক সহযোগিতা আঁচনি (NSAP) ৰ অধীনৰ এক উপাংশ। ৰাষ্ট্ৰীয় পৰিয়াল হিতকাৰী আঁচনিৰ অধীনত দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়াললৈ এককালীন ধনৰ সাহায্য আগবঢ়োৱা হয় পৰিয়ালটোৰ উপাৰ্জনকাৰী মূল ব্যাক্তিজনৰ মৃত্যুৰ পাছত।

➲ **ৰাষ্ট্ৰীয় পৰিয়াল হিতকাৰী আঁচনিৰ অধীনত দিয়া আৰ্থিক সাহায্যৰ পৰিমান আৰু নিৰ্ণায়ক যোগ্যতা কি ?**

এন এফ বি এছ ৰ অধীনত চৰকাৰী এককালীন ধনৰ পৰিয়াল সাহায্য লাভ কৰাৰ চৰ্তসমূহ হৈছে ঃ

ক) এটা পৰিয়াল (পুৰুষ বা মহিলা) ৰ প্ৰধান আৰ্জনকাৰী সদস্য সেইজন যাৰ আৰ্জন পৰিয়ালৰ মুঠ আয়তকৈ বুজন পৰিমানৰ হয়।

খ) পৰিয়ালৰ এনে ধৰণৰ মূল জীৱিকা আৰ্জনকাৰীজনৰ মৃত্যুৰ সময়ত বয়স ১৮ বছৰতকৈ বেছি আৰু ৫৯ বছৰতকৈ কম হ'ব লাগিব।

গ) চৰকাৰৰ নিৰ্ধাৰিত নিৰ্ণায়ক মান অনুসৰি মূল আৰ্জনকাৰী দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালৰ হ'ব লাগিব। মূল আৰ্জনকাৰীৰ স্বাভাৱিক বা দুৰ্ঘটনাজনিত মৃত্যুৰ ক্ষেত্ৰত ২০১২ চনৰ অক্টোবৰৰ পৰা ২০০০০.০০ টকা উক্ত আঁচনিৰ অধীনত এককালীন সাহায্য দিয়া হয়। এনে পৰিয়াল সাহায্য মৃত মূল আৰ্জনকাৰীৰ পৰিয়ালৰ জীৱিত এজন সদস্যক দিয়া হয় যাক স্থানীয় অনুসন্ধানৰ পাছত পৰিয়ালৰ মূৰব্বী বুলি নিৰ্ধাৰিত কৰে। ২০১২ চনৰ অক্টোবৰৰ আগত প্ৰতি নিৰ্বাচিত পৰিয়ালক এই আঁচনিৰ অধীনত ১০০০০.০০ টকাৰ এককালীন সাহায্য দিয়া হৈছিল।

➲ **অন্নপূৰ্ণা কেতিয়া আৰম্ভ হৈছিল? ইয়াৰ উদ্দেশ্য আৰু ইয়াৰ অধীনত কি লাভালাভ পোৱা যায়।**

২০০০ চনৰ ১ এপ্ৰিলত অন্নপূৰ্ণা নামেৰে নতুন আঁচনিৰ শুভাৰম্ভ কৰা হয়। এই আঁচনিৰ লক্ষ্য হৈছে সুস্থ নাগৰিক (৬০ বছৰ আৰু তাৰ উৰ্দ্ধ)ৰ খাদ্য সুৰক্ষাৰ চাহিদা পূৰণ কৰা। যি উপযুক্ত, কিন্তু IGNOAPS আঁচনিৰ অধীনত সুবিধা লাভ কৰা নাই, অন্নপূৰ্ণা আঁচনিৰ অধীনত তেনে হিতাধিকাৰীয়ে প্ৰতি মাহে ধন খৰছ নকৰাকৈ ১০ কেজি খাদ্যৰ শস্য লাভ কৰিব।

➲ **এই আঁচনিৰ অধীনত পেঞ্চন পাবলৈ কাৰ লগত যোগাযোগ কৰিব লাগিব?**

NSAP ৰ সকলো উপাংশতে প্ৰযোজ্য সাধাৰণ চৰ্ত অনুসৰি ৰাজ্যসমূহত ৰূপায়ন কৰা হয়। লগতে প্ৰতিটো উপাংশতে বিশেষ চৰ্ত প্ৰযোজ্য হয়। সম্প্ৰতি ৰাজ্যত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা NSAP আঁচনি ৰূপায়ন কৰা হয়। যোগ্য ব্যক্তিয়ে পঞ্চায়তৰ এলেকা বা ভিচিডিচি (VCDC) অঞ্চলত ষষ্ঠ অনুসূচীৰ অধীনত বা চহৰ (পৌৰ) আৰু পৌৰ নিগমৰ ব'ৰ্ডত পেঞ্চন আঁচনি বা অন্যান্য আঁচনিৰ সুবিধা পাবলৈ আবেদন কৰিব পাৰে।

**মোলৈ কেনেকৈ পেঞ্চন বিতৰণ কৰা হ'ব?**

ভাৰত চৰকাৰৰ সিদ্ধান্ত মৰ্মে হিতাধিকাৰীৰ সুবিধা অনুসৰি বেংক একাউণ্ট, ডাকঘৰ একাউণ্টত পেঞ্চন জমা কৰা হয়। ৰাজ্যই সম্প্ৰতি বেংক, ডাকঘৰৰ ছেভিংছ একাউণ্টৰ যোগেদি পেঞ্চন বিতৰণ কৰে। আৰ্হিৰ মান অনুসৰি NSAPৰ অধীনত প্ৰাপ্ত সকলো আঁচনিৰ বাবে বেংক বা ডাকঘৰত ছেভিংচ একাউণ্ট থকাটো বাধ্যতামুলক কৰা হৈছে।

- **কি পৰিস্থিতিৰ বাবে কাৰোবাৰ পেঞ্চন বন্ধ হ'ব পাৰে ?**

  নিৰ্দ্ধাৰিত সময়ত তেওঁ বা তাই যদি পেঞ্চন উঠাই নলয় বা হিতাধিকাৰীৰ মৃত্যুৰ ক্ষেত্ৰত পেঞ্চন বন্ধ হ'ব পাৰে।

- **কোন তাৰিখে একাউণ্টত পেঞ্চন জমা হয় বা বিতৰণ কৰা হয় ?**

  যিমান সম্ভৱ ৰাজ্যত মাহিলীভিত্তিত পেঞ্চন বিতৰণ কৰা হয়। অৱশ্যে কিছুমান ৰাজ্যই তিনি মাহ বা ছমাহৰ মুৰে মুৰে আগতীয়াকৈ পেঞ্চন বিতৰণ কৰে।

- **পেঞ্চন প্ৰাপকৰ মৃত্যুৰ ক্ষেত্ৰত পেঞ্চনৰ মনোনয়নৰ সুবিধা আছে নেকি ?**

  এন এছ এ পি ৰ অধীনত কোনো মনোনয়নৰ ব্যৱস্থা নাই। পেঞ্চন প্ৰাপকৰ মৃত্যুত পেঞ্চন বন্ধ হৈ যায় আৰু কোনো ব্যক্তিয়ে ইয়াক গ্ৰহণ কৰিব নোৱাৰে।

- **পেঞ্চন লাভৰ বাবে বেংক, ডাকঘৰত যুটীয়া একাউণ্ট খুলিব পাৰে নেকি ?**

  নোৱাৰে। পৰিয়ালৰ কোনো সদস্যৰ সৈতে যুটীয়া একাউণ্টৰ অনুমতি নাই।

- **পেঞ্চনৰ বাবে চিনাক্তকৰণ মঞ্জুৰী ধাৰাবাহিক প্ৰক্ৰিয়া নে ?**

  হয়। কোনো হিতাধিকাৰীৰ চিনাক্তকৰণ এক অবিৰত প্ৰক্ৰিয়া।

- **বয়স নিৰ্দ্ধাৰণৰ আবেদন গ্ৰহণৰ অন্তিম তাৰিখ থাকে নেকি ?**

  কোনো অন্তিম সীমা নাথাকে। বি পি এল ২০০২ তালিকা মতে বি পি এল পৰিয়ালৰ এগৰাকী ব্যক্তিয়ে যেতিয়া ১৮ বছৰীয়া (IGPNDPS) হয় বা ৪০ বছৰ (IGNWPS)ৰ হয় বা ৬০ বছৰ (IGNOAPS)ৰ হয় তেওঁ বা তাই পেঞ্চন মঞ্জুৰীৰ বাবে উপযুক্ত কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰিব পাৰে।

- **ৰাষ্ট্ৰীয় সামাজিক সহযোগিতা আঁচনিৰ বিষয়ে কোনো অভিযোগ দিব লাগিলে কাক দিব লাগিব ?**

  ৰাজ্য বা সংশ্লিষ্ট জিলা, ব্লক পৰ্যায়ৰ কল্যাণ বিষয়াই এন এছ এ পি ৰ অধীনৰ কোনো আঁচনিৰ ক্ষেত্ৰত কোনো অভিযোগ থাকিলে এন এছ এ পিৰ দায়িত্ববাহী সম্পাদকৰ ওচৰত সেই অভিযোগ দাখিল কৰিব পাৰে।

- **ৰাজ্য আৰু জিলা পৰ্যায়ৰ নিৰীক্ষণৰ কি পদ্ধতি আছে ?**

  এন এছ এ পিৰ অৰ্ন্তভুক্ত আঁচনিৰ আন গ্ৰামোন্নয় আঁচনিৰ সৈতে জিলা পৰ্যায়ত গঠিত অনুসন্ধান আৰু নিৰীক্ষন কমিটি (V&MC)ৰ দ্বাৰা সমীক্ষা কৰা হয়। জিলাৰ ভি এণ্ড এম চিত সাংসদে প্ৰতিনিধিত্ব কৰে। এন এছ এ পিৰ অধীনত বিভিন্ন আঁচনিৰ নিৰীক্ষন আৰু নিয়মীয়া পৰিকল্পনাৰ বাবে ৰাজ্যত অনলাইন এন এছ এ পি এম আই পদ্ধতি (NSAPMIS) ব্যৱহাৰ কৰা হৈছে।

৪৪৪৪৪

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ
জুৰিপাৰ, পাঞ্জাবাৰী
গুৱাহাটী - ৭৮১০৩৭
অসম, ভাৰত

ইউনিচেফ ক্ষেত্ৰ কাৰ্যালয়, অসম
গৃহ নং-২৭
বশিষ্ঠপুৰ বাইলেন-৩, বেলতলা ৰোড
গুৱাহাটী-৭৮১০২৮